# দানবীৰ
# হনুমানবক্স কানৈ

## Danvir Hanumanbax Kanoi



# দানবীৰ
# হনুমানবক্স কানৈ
## Danvir Hanumanbax Kanoi

**Published by The Principal**
**Dibrugarh Hanumanbax Surajmal Kanoi College**
**Dibrugarh, Assam**
**31st July, 2021**



Kanoi Family in 1945



Late Rai Sahib Hanumanbuxji Kanoi and Late Laxminarayanji Kanoi, both brothers at a Reception of Son's wedding

# হনুমানবক্স কানৈ ঃ জীৱন আৰু কৰ্ম

ড° শশীকান্ত শইকীয়া

দেশে স্বাধীনতা লাভ কৰাৰ পূৰ্বে কেৱল অসমৰে নহয় অতি চৰ্চিত আৰু জনপ্ৰিয় ব্যক্তিসকলৰ ভিতৰত নাম উল্লেখ কৰিবলৈ গ'লে পদ্মশ্ৰী ৰায়চাহাব হনুমানবক্স কানৈৰ নাম ল'বই লাগিব। দেশে স্বাধীনতা লাভ কৰাৰ প্ৰায় ৬২ বছৰ আগতে অসমলৈ আহিছিল হনুমানবক্স কানৈৰ পৰিয়াল। যিগৰাকী ব্যক্তি দানবীৰ হিচাপে সমগ্ৰ দেশতে পৰিচিত। ৰায়চাহাব হনুমানবক্স কানৈয়ে দেশ আৰু সমাজৰ বাবে জীৱন কালত বহু বৰঙনি দি থৈ গ'ল। কিন্তু অতি পৰিতাপৰ কথা যে তেওঁৰ এখনি পূৰ্ণাঙ্গ জীৱন-পঞ্জী আজিও লিপিৱদ্ধ নহ'ল। তেওঁৰ জীৱন বৃত্তান্ত পূৰ্ণাঙ্গ ৰূপত লিপিৱদ্ধ হৈ নথকাৰ ফলত তেওঁৰ জীৱনৰ বহু গুৰুত্বপূৰ্ণ ঘটনা-পৰিঘটনা কালৰ গতিত নিঃশেষ হৈ গ'ল। প্ৰাথমিক বিদ্যালয়ৰ পৰা কলেজ-বিশ্ববিদ্যালয়লৈকে জন্ম দিয়াৰ ইতিহাস থকা এইগৰাকী মহান দানবীৰৰ বিষয়ে এতিয়ালৈকে মাত্ৰ কিছু কথাহে লিপিৱদ্ধ হৈছে। হনুমানবক্স কানৈৰ নামত অসমৰ এখন বিখ্যাত মহাবিদ্যালয় 'হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়' স্থাপন হোৱাৰ পিছতো তেওঁৰ বিষয়ে পূৰ্ণাঙ্গ জীৱনী পাবলৈ নাই বা ক'তো সঠিকভাবে লিপিৱদ্ধ হৈ নথকাতো অতি পৰিতাপৰ বিষয়। এই লেখকে কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰোঁ ২০১৫ চনৰ ১৯ জুনত। মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্ব লৈ প্ৰথমে হনুমানবক্স কানৈ আৰু সুৰজমল কানৈৰ জীৱন পৰিক্ৰমা উদ্ধাৰৰ বাবে প্ৰচেষ্টা চলাও। এই ক্ষেত্ৰত তেওঁৰ পৰিয়ালৰ অন্যতম সদস্য, চাহ উদ্যোগী কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ দাতা সদস্য জ্যোতি প্ৰসাদ কানৈৰ স'তে বহু সময়ত আলোচনা কৰোঁ। কেনেকৈ বিৰল

ব্যক্তিত্বৰ অধিকাৰী হনুমানবক্স কানৈৰ সংক্ষিপ্ত এখন জীৱন-পঞ্জী লিখি উলিয়াব পাৰোঁ। সহায়ৰ হাত উজান দিলে জ্যোতি প্ৰসাদ কানৈয়ে। বিভিন্ন গুণী-জ্ঞানী, পণ্ডিত, লেখক-সাহিত্যিকে অনুসন্ধিৎসু মন এটা লৈ হনুমানবক্স কানৈৰ জীৱনৰ বিষয়ে কিছু কথা জানিব বিচাৰে। সঠিকভাবে দানবীৰগৰাকীৰ জীৱনী যোগান ধৰিব নোৱাৰাত কেতিয়াবা এনে ঘটনাৰো সন্মুখীন হৈছো য'ত নিজে লজ্জিত হ'ব লগা পৰিস্থিতিৰ সৃষ্টি হৈছিল। কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰাৰ পূৰ্বে মাজুলী মহাবিদ্যালয়ত অধ্যক্ষ, তাৰো পূৰ্বে ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ত অধ্যাপক হিচাপে কাম কৰিছিলোঁ। ডিব্ৰু মহাবিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰাৰ পূৰ্বে কিছুদিন দিছপুৰ মহাবিদ্যালয়তো অধ্যাপনাৰ স'তে জড়িত আছিলোঁ। সমান্তৰালভাবে অসমৰ বহুকেইখন সংবাদ পত্ৰত সাংবাদিকতাৰ স'তেও জড়িত আছিলোঁ। দেখা পাইছিলোঁ অধ্যাপনাৰ সময়তে হওক বা সংবাদ সেৱাৰ স'তে জড়িত থকাৰ সময়তে হওক হনুমানবক্স কানৈ আৰু তেওঁৰ ভাতৃ সুৰজমল কানৈৰ বিষয়ে যিমানখিনি অসমৰ ৰাইজে, দেশৰ ৰাইজে জানিব লাগিছিল, সিমানখিনি হয়তো জানিব পৰা নাছিল। মাজুলী মহাবিদ্যালয়ত অধ্যক্ষ হৈ থকাৰ সময়তো হনুমানবক্স কানৈৰ বিষয়ে একাধিক লেখা লিখিব লগা হৈছিল যদিও দুখৰ কথা যে তেওঁৰ বিষয়ে প্ৰয়োজনাধিক তথ্য লাভ নকৰাত সেই লেখাসমূহক লৈ নিজে কোনো দিনে সন্তুষ্ট হোৱা নাছিলোঁ। ডিব্ৰুগড়ৰ যিসকল গুণী-জ্ঞানী ব্যক্তিয়ে মানুহৰ জীৱন পৰিক্ৰমা লিখিবলৈ চেষ্টা কৰিছিল, সেইসকলেও যেন হনুমানবক্স কানৈৰ বিষয়ে লিখিবলৈ যাওঁতে ক'ৰবাত নহয় ক'ৰবাত উজুতি খোৱা পৰিলক্ষিত হৈছিল। কেনে আছিল হনুমানবক্স কানৈৰ বাল্যকাল, বৈবাহিক জীৱন, ব্যৱসায়িক জীৱন আৰু সামাজিক জীৱন? হনুমানবক্স কানৈৰ পূৰ্ণ জীৱন বৃত্তান্ত লিপিৱদ্ধ হৈ নথকাৰ বাবেই কেতিয়াবা অনুভৱ হয় হনুমানবক্স কানৈয়ে সমাজৰ বাবে যিমানখিনি অৱদান আগবঢ়ালে সিমানখিনি স্বীকৃতি যেন তেওঁ আজিও লাভ কৰা নাই। সেয়া এই লেখকৰ গভীৰ অন্তৰৰ পৰা লাভ কৰা অনুভৱহে। থাওকতে ক'ব পাৰি হনুমানবক্স কানৈয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ অবিহনে হয়তো ডিব্ৰুগড় বিশ্ববিদ্যালয় ডিব্ৰুগড়ত স্থাপন নহ'লহেতেন। কিন্তু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত হনুমানবক্স কানৈৰ এটি সামান্য প্ৰতিমূৰ্তি আজিও স্থাপন

নহ'ল। একেদৰে তেওঁৰ ভাতৃ সুৰজমল কানৈকো কোনো এটা অনুষ্ঠানে প্ৰাপ্য সন্মান দিয়া দেখা নগ'ল। হনুমানবক্স কানৈয়ে 'ডিব্ৰুগড় মহাবিদ্যালয়' নামেৰে ১৯৪৫ চনত স্থাপন হোৱা মহাবিদ্যালয়খন আৰ্থিক সাহাৰ্য আগবঢ়াই 'ডি.এইচ.এচ. কানৈ মহাবিদ্যালয়' নামলৈ ৰূপান্তৰ কৰাৰ ফলশ্ৰুতিত মহাবিদ্যালয়খন হনুমানবক্স সুৰজমল কানৈ নামেৰে নামকৰণ কৰা হয়। আজিও চমুকৈ এই মহাবিদ্যালয়খনক কানৈ মহাবিদ্যালয় নামেৰে সকলোৱে চিনি পায়। প্ৰকৃততে 'হনুমানবক্স সুৰজমল কানৈ' নামেৰে এখন প্ৰতিষ্ঠান আছিল আৰু এই প্ৰতিষ্ঠান সাধাৰণতে দুজন ব্যক্তিৰ নামত স্থাপন কৰা হৈছিল। সেয়ে হনুমানবক্স সুৰজমল কানৈ প্ৰকৃততে এটা প্ৰতিষ্ঠানহে আছিল। সেই প্ৰতিষ্ঠানৰ মূল ব্যক্তি আছিল হনুমানবক্স আৰু সুৰজমল কানৈ। সেই দুজন ককাই-ভাইৰ নামত প্ৰতিষ্ঠা কৰা প্ৰতিষ্ঠানটোৰ নামেৰে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় স্থাপিত হৈছিল। প্ৰাৰম্ভিক অৱস্থাত আজিৰ সকলোৰে মৰমৰ আৰু সপোনৰ ডি.এইচ.এচ. কানৈ মহাবিদ্যালয়খন 'ডিব্ৰুগড় মহাবিদ্যালয়' নামেৰে স্থাপন কৰা হৈছিল। সেয়াও এক দীঘলীয়া ইতিহাস। সেই ইতিহাস এই লেখাত সন্নিৱিষ্ট নকৰি পৃথক লেখা এটাত উল্লেখ কৰাৰ লোভ সামৰি থ'লো। এইটো সত্য যে ডিব্ৰুগড় মহাবিদ্যালয়খন ডি.এইচ. এচ. মহাবিদ্যালয়লৈ উন্নীত কৰাত হনুমানবক্স কানৈয়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। সংগ দিছিল অশ্বিনী চৰণ চৌধুৰী, ড° যোগীৰাজ বসু, ড° লক্ষ্মী প্ৰসাদ দত্তকে ধৰি অনেক গুণী-জ্ঞানী ব্যক্তিয়ে। তেওঁলোকে বীজ ৰোপণ কৰি যোৱা এই মহাবিদ্যালয়খনে এতিয়া ৭৫ বছৰ অতিক্ৰম কৰিছে।

ৰায়চাহাব হনুমানবক্স কানৈয়ে আচলতে নিজেই নিজৰ জীৱনৰ গন্তব্য পথ, লক্ষ্য ৰচনা কৰিছিল। এইজনা বিৰল ব্যক্তিত্বৰ অধিকাৰী ব্যক্তিৰ জীৱন কাহিনী কিঞ্চিৎ জানিলেও হয়তো বহুতৰে চকুলো নিগৰিব পাৰে। তেওঁ জীৱনৰ ঘাত-প্ৰতিঘাত আৰু সংঘাতৰ মাজেৰে আগুৱাই গৈছিল। সমগ্ৰ জীৱনটোৱেই আছিল এক বৈচিত্ৰময়। সেই জীৱনে তেওঁক দুখ কি, বেদনা কি, যন্ত্ৰণা কি ওচৰৰ পৰা দিছিল। অথচ দুখৰ উপৰি দুখ, যন্ত্ৰণাৰ উপৰি যন্ত্ৰণা লাভ কৰাৰ পিছতো কোনো দিনে তেওঁ ভাগি পৰা নাছিল, হতাশ হোৱা নাছিল। বিভিন্নজনে কয় তেওঁ অশিক্ষিত আছিল। কেৱল টিপ চহী মাৰিছিল। সেয়া কিন্তু সত্য নহয়। হনুমানবক্স কানৈৰ জীৱন পৰিক্ৰমা অধ্যয়ন কৰিলে দেখা যায় তেওঁ ১৮৮৫ চনৰ আহিন মাহত এটা মধ্যবিত্ত

মাৰোৱাৰী পৰিয়ালত গণেশ্ৰীৰাম আৰু চিনাগেৰী দেৱীৰ ঔৰসত ৰাজস্থানৰযোধপুৰৰ সমীপৰ যচৱন্তগড় অঞ্চলত জন্ম গ্ৰহণ কৰিছিল। কিন্তু সেই সন্তানটিয়ে এদিন দেশৰ চাহ উদ্যোগীক খণ্ডত আমূল পৰিৱৰ্তন আনিব সেই কথা কোনেও হয়তো ভবা নাছিল। তেওঁৰ দেউতাক ১৮৮১ চনত অসমৰ গৌৰিপুৰ অঞ্চললৈ আহিছিল। পৰৱৰ্তী সময়ত তেওঁ ডিব্ৰুগড়ৰ নাদুৱা অঞ্চললৈ আহি এখন সৰু দোকান খোলে। যেতিয়া হনুমানবক্সৰ বয়স ৬ মাহ তেতিয়াই তেওঁক দেউতাকে ডিব্ৰুগড়ৰ নাদুৱা অঞ্চললৈ লৈ আহে। যেতিয়া দেউতাক গণেশ্ৰীৰামে মোকালবাৰী অঞ্চলত আন এখন সৰু দোকান মুকলি কৰে, তেতিয়া হনুমানবক্সৰ বয়স আছিল ২ বছৰ। হনুমানবক্সে শিশু অৱস্থাতে মোকালবাৰী অঞ্চলত কিছু দিন থকাৰ পিছত পুনৰ তেওঁক ৰাজস্থানলৈ ওভতাই পঠিওৱা হয়। ৰাজস্থানলৈ গৈ হনুমানবক্সে এজন ব্ৰাহ্মণ শিক্ষকৰ তত্ত্বাৱধানত কিছু আখৰ লিখিবলৈ চেষ্টা কৰে। বিভিন্ন লেখক আৰু সাহিত্যিকে তেওঁৰ বিষয়ে উল্লেখ কৰোঁতে হনুমানবক্স কানৈ অশিক্ষিত আছিল, লিখা-পঢ়া কৰিব নাজানিছিল, টিপ চহী মাৰিছিল ইত্যাদি বিষয়ে উল্লেখ কৰিলেও প্ৰাপ্য তথ্য অনুসৰি তেওঁ তৃতীয় শ্ৰেণীলৈকে অধ্যয়ন কৰাৰ বিষয়ে জনা যায়। তৃতীয় শ্ৰেণীলৈকে অধ্যয়ন কৰা হনুমানবক্স কানৈক সেই সময়ত ৰাজস্থানৰ বিকানেৰ মহাৰাজা ডঙ্গৰ সিঙে প্ৰতিভা দেখি মাহে তিনি টকাকৈ বৃত্তি দিছিল। হনুমানবক্স কানৈৰ অধ্যয়ন কালত হাতৰ আখৰ অতি সুন্দৰ আছিল আৰু তেওঁৰ প্ৰতিভা এক প্ৰকাৰ পণ্ডিতৰ দৰে আছিল। মধ্যবিত্ত শ্ৰেণীৰ ঘৰত জন্ম হ'লেও বিকানেৰ মহাৰাজা তথা ৰাজপৰিয়াল এটাই হনুমানবক্স কানৈক প্ৰশংসা কৰাতো অতি বিৰল ঘটনা বুলি বিবেচিত হৈছিল। সৰুৰে পৰা মেধা শক্তিৰ পৰিচয় দিয়া হনুমানবক্স কানৈয়ে পৰৱৰ্তী সময়ত শিক্ষা জীৱন আগুৱাই নিব নোৱাৰিলে, বোধকৰো সিমানতে তেওঁৰ আনুষ্ঠানিক শিক্ষা সমাপ্ত হয়।

ৰায়চাহাব হনুমানবক্স কানৈয়ে কৈশোৰ অৱস্থাত অৰ্থাৎ ১৪ বছৰ বয়সতে বিবাহপাশত আৱদ্ধ হৈছিল। কিন্তু তেওঁৰ বৈবাহিক জীৱন গোলাপৰ দৰে সুন্দৰ বা সুখৰ নহ'ল। বিয়াৰ ন মাহৰ পিছতে তেওঁৰ পত্নী পৰলোক হয়। আটাইতকৈ দুখ আৰু যন্ত্ৰণাৰ কথা যে পত্নীৰ বিয়োগৰ ন দিনৰ পিছতে মাতৃও ৰোগত আক্ৰান্ত হৈ বিয়োগ ঘটে। কিমান যন্ত্ৰণা বা দুখ-বেদনাৰ সন্মুখীন হৈছিল সেয়া বোধকৰো ভুক্তভোগীৰ অবিহনে তেনে যন্ত্ৰণা

কোনেও অনুভৱ কৰিব নোৱাৰে। বিবাহৰ ন মাহৰ পিছত পত্নীৰ বিয়োগ, পত্নীৰ বিয়োগৰ ন দিনৰ পিছত মাতৃৰ বিয়োগ হোৱা সত্বেও তেওঁ জীয়াই থকাৰ শক্তি হেৰুৱাই পেলোৱা নাছিল। তেওঁ মানসিকভাৱে অদম্য শক্তিৰ পৰিচয় দিছিল। একে সময়তে তেওঁৰ পৰিয়ালৰ আৰ্থিক অৱস্থাও শোচনীয় হৈ পৰিছিল। পৰিয়ালৰ আৰ্থিক দুৰৱস্থাৰ বাবে কেৱল চকু পানীৰে বাট বৈছিল। কিন্তু ইমান দুৰ্দশাৰ পিছতো হনুমানবক্স কানৈয়ে উচ্চাকাংক্ষা লৈ আগুৱাই গৈছিল। তেওঁ পুনৰ ডিব্ৰুগড়ৰলৈ আহি অকলেণ্ড অঞ্চলত এখন সৰু দোকান খোলে। সেই দোকানখন কানৈৰ পৰিয়ালটোৰ বাবে এক নতুন শক্তি হিচাপে ধৰা দিছিল। কানৈৰ পৰিয়ালে সেই দোকানখনক সাৰথি কৰি জীৱনটো আগুৱাই নিছিল। ১৪ বছৰীয়া এটি শিশুৱে ঘৰখনৰ সমস্ত দায়িত্ব পালন কৰাৰ সময়ত তেওঁ দৈনিক পোন্ধৰ মাইল ৰ'দ-বৰষুণৰ মাজত খোজকাঢ়ি অহা-যোৱা কৰি তেওঁৰ দোকানলৈ বিভিন্ন গধুৰ সামগ্ৰী নিজে কঢ়িয়াইছিল। দোকানখনৰ বাবে প্ৰয়োজন হোৱা সকলো সামগ্ৰী নিজে কঢ়িয়াই জীৱনৰ সমস্ত বোজা যেন তেওঁ কান্ধ পাতি লৈছিল। গোটেই পৰিয়ালটোৰ বাবে কাপোৰ-কানি, খোৱা-বোৱা আনকি পোহনীয়া গৰু-ছাগলীৰ বাবেও তেওঁ নিজে দায়িত্ব ল'ব লগা হৈছিল। এক প্ৰকাৰ প্ৰতি মিনিট, প্ৰতি দিন, প্ৰতি নিশা তেওঁ জীৱনৰ বাবে এক সংগ্ৰাম আছিল। সেই সংগ্ৰাম তেওঁ সহজে গ্ৰহণ কৰি ঘৰৰ সকলো সদস্যকে সুখেৰে ৰখাৰ বাবে চেষ্টা কৰিছিল। সৰুকালতে ঘৰুৱা সকলো দায়িত্ব গ্ৰহণ কৰিব লগা হোৱাত প্ৰকৃততে তেওঁ বাল্য বা শিশু কালৰ কোনো সুখ, আনন্দ লাভ নকৰিছিল। ইয়াৰ পৰিৱৰ্তে তেওঁ ঘৰুৱা কামসমূহ কেনেদৰে নিয়াৰিকৈ, শৃংখলাভাৱে সামৰিব পাৰি সেই বিষয়ে বিছনালৈ যোৱাৰ আগতে চিন্তা কৰিব লগা হৈছিল। তেওঁ এনে এজন ব্যক্তি আছিল যিজনে 'কাইলৈ'ৰ সংজ্ঞা নাজানিছিল। তেওঁ প্ৰতি দিনৰ বাবে জীয়াই আছিল কেৱল সন্মুখত সংগ্ৰাম আৰু দুখ-কষ্টৰ বোজা লৈ। এনে দুখ-যন্ত্ৰণাৰে জীৱন অতিবাহিত কৰা হনুমানবক্স কানৈয়ে পৰৱৰ্তী সময়ত বিশাল সম্পত্তিৰ বা সাম্ৰাজ্যৰ গৰাকী হৈছিল। সেয়া সম্ভৱ হৈছিল হনুমানবক্স কানৈৰ নেৰানেপেৰা চেষ্টা, কঠোৰ পৰিশ্ৰম, সাধনা, জীৱনৰ প্ৰতি থকা তৃষ্ণা আৰু মানুহৰ প্ৰতি থকা মৰম আৰু ভালপোৱা থকাৰ বাবে।

হনুমানবক্স কানৈ সৰুৰে পৰা অতি পৰিষ্কাৰ আৰু পৰিচ্ছন্ন ব্যক্তি

হিচাপে পৰিচিত আছিল। তেওঁৰ ঘৰখনৰ লগতে পৰিয়ালটোৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আছিল মূলমন্ত্ৰ। আনকি তেওঁৰ চৌপাশৰ অঞ্চলসমূহো প্ৰতি মিনিটত পৰিষ্কাৰ কৰি ৰখাৰ চেষ্টা কৰিছিল। তেওঁ সৰুৰে পৰা পৰিষ্কাৰ-পৰিচ্ছন্নতাক সাৰথি কৰি জীৱনটোক আগুৱাই নিছিল। পৰিষ্কাৰ বা চাফ-চিকুণ কেৱল নিজৰ বাবে কৰা নাছিল, সেইখিনি কৰিছিল সমাজখনৰ বাবে। ২০১৬ চনত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী শাসনলৈ অহাৰ পিছত স্বচ্ছ ভাৰত অভিযান আৰম্ভ কৰিছিল। সেয়া মহাত্মা গান্ধীৰ জন্ম দিনৰ স'তে ৰজিতা খুৱাই স্বচ্ছ ভাৰত অভিযান আৰম্ভ কৰিছিল। কিন্তু কি আচৰিত নৰেন্দ্ৰ মোদী শাসনলৈ অহাৰ ১১৩ বছৰ আগতে অৰ্থাৎ ১৯০৩ চনত হনুমানবক্স কানৈয়ে স্বচ্ছতাৰ যোগেদি সন্মান লাভ কৰিছিল, পুৰস্কৃত হৈছিল। তেওঁ যি কৰিছিল সেয়া কেৱল সমাজখনৰ বাবে কৰিছিল আৰু তেওঁ য'লৈকে গৈছিল পৰিষ্কাৰ বা চাফ-চিকুণৰ মন এটা লৈ গৈছিল। তেওঁ কিমান পৰিষ্কাৰ আছিল আৰু কেনেকৈ তেওঁক পুৰস্কৃত কৰা হৈছিল, সন্মানীত কৰা হৈছিল তাকো বৃটিছৰ শাসনৰ সময়ত সেই বিষয়ে এক আমোদজনক কাহিনীও আছে। সেয়া ১৯০৩ চনৰ কথা। সেই সময়ত প্লেগ মহামাৰীয়ে সমগ্ৰ পৃথিৱীৰ বিভিন্ন ঠাইৰ লগতে ডিব্ৰুগড়কো কোবাই গৈছিল। ঠিক ২০১৯ চনত ক'ভিড-১৯ ভাইৰাছৰ সংক্ৰমণৰ দৰে। ক'ভিড-১৯ ভাইৰাছৰ দ্বাৰা সংক্ৰমণ হৈ পৃথিৱীত ২০২১ চনৰ জুন মাহলৈকে ৩৭ লাখ মানুহৰ মৃত্যু হৈছে। এই লেখা প্ৰস্তুত কৰি থকা সময়তো মানুহৰ মৃত্যুৰ সংখ্যা বাঢ়ি গৈ আছে। ইটালি, আমেৰিকাকে ধৰি সকলো দেশক ক'ৰনা ভাইৰাছে আক্ৰমণ কৰি সামাজিক, অৰ্থনৈতিক সকলো দিশতে ক্ষতিগ্ৰস্ত কৰিছে। এই লেখা প্ৰস্তুত কৰা সময়তো অসমৰ দৰে ৰাজ্যত লক্‌ডাউন চলি আছে। প্লেগ মহামাৰীয়ে সমগ্ৰ বিশ্বক জোকাৰি যোৱাৰ সময়ত লক্‌ডাউন নাছিল যদিও কঠোৰ নীতি-নিয়ম প্ৰস্তুত কৰা হৈছিল। তেনে সময়তে অৰ্থাৎ প্লেগ মহামাৰীৰ সেই ভয়াৱহতাৰ সময়ত হনুমানবক্স কানৈ থকা মোকালবাৰী অঞ্চল পৰিদৰ্শন কৰিবলৈ আহে সেই সময়ৰ প্ৰখ্যাত ব্যক্তি মিষ্টাৰ পি. বেৰী। মিষ্টাৰ পি. বেৰীয়ে বাগিচাখন পৰিদৰ্শনকালত হনুমানবক্স কানৈৰ দোকানখনৰ লগতে চৌপাশৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা দেখি অভিভূত হোৱাই নহয়, তেওঁক অতি প্ৰশংসা কৰে। চাফ-চিকুণ পৰিৱেশ দেখি পৰিদৰ্শক পি. বেৰীয়ে বাগিচাৰ লগতে অঞ্চলটোৰ সকলোকে হনুমানবক্স কানৈৰ দোকানৰ

পৰাই সামগ্ৰী ক্ৰয় কৰিবলৈ নিৰ্দেশ দিয়ে। আচৰিত কথাটো হ'ল হনুমানবক্সৰ চাফ-চিকুণৰ প্ৰতি মুগ্ধ হৈ তেওঁক বাগিচাৰ শ্ৰমিকৰ লাইনত আন এখন দোকান মুকলি কৰিবলৈ অনুমতি দিয়ে। ভাবিলে আচৰিত যেন লাগে। বৃটিছ চৰকাৰৰ এজন উচ্চ পদস্থ বিষয়াই এজন ভাৰতীয় হিচাপে হনুমানবক্স কানৈক কেনেদৰে সন্মানীত কৰিছিল। এই ঘটনাটোৱে প্ৰথম ঘটনা আৰু যিটোৰ কাৰণে তেওঁক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে এক প্ৰকাৰ মিষ্টাৰ বেৰীয়ে পুৰস্কৃত কৰে। ভাবিলে আচৰিত লাগে আজিৰ পৰা ১১৮ বছৰ পূৰ্বে হনুমানবক্স কানৈক কেৱল চাফ-চিকুণ বা স্বাস্থ্যসন্মত পৰিৱেশৰ বাবে এগৰাকী বৃটিছ বিষয়াই উচ্চ প্ৰশংসা কৰিছিল। দৰাচলতে ক'বলৈ গ'লে সেই সময়ত হনুমানবক্স কানৈ চাফ-চিকুণৰ দিশত এক নায়ক আছিল।

যি বছৰ প্লেগ মহামাৰীয়ে সমগ্ৰ দেশ জোকাৰি গৈছিল, যি বছৰ এই সংকটৰ মাজতো তেওঁ সন্মানীত হৈছিল সেই বছৰেই তেওঁ দ্বিতীয়বাৰ বিবাহত বহিবলৈ মন মেলে। অৰ্থাৎ ১৯০৩ চনত হনুমানবক্স কানৈয়ে দ্বিতীয়বাৰ বিবাহপাশত আৱদ্ধ হয়। ৰাজস্থানৰ সুজানগড় অঞ্চলৰ মনোহাৰী দেৱীক তেওঁ পৰম্পৰাগত নীতি-নিয়ম অনুসৰি বিবাহ কৰায়। বিবাহৰ পিছতে তেওঁ এক বুজাব নোৱাৰা আৰ্থিক সংকটৰ মাজত সোমাই পৰে। সেই সময়ত তেওঁৰ জীৱনলৈ আৰ্থিক সংকট এনেদৰে নামি আহে যে তেওঁ কেনেকৈ জীয়াই থাকিব পাৰিব সেইলৈ সন্দেহ প্ৰকাশ কৰিছিল। দোকানৰ উপাৰ্জন, আয়ৰ হাৰ অতি দুখ লগাকৈ কমি অহাৰ লগতে পৰিয়ালটোৰ সমূহ সদস্য ধাৰত পোত যায়। আৰ্থিক অৱস্থাতো ইমানেই বেয়ালৈ গতি কৰে যে তেওঁৰ কোনো পথ নোহোৱা হৈ যায়। কেৱল তেওঁৰ পিতৃ ঘনশ্যাম কানৈৰ সহায়েৰে জীয়াই থকাৰ সপোন দেখিছিল যদিও নিয়তিৰ কি পৰিহাস যে এনে বিপদৰ সময়ত তেওঁৰ পিতৃৰো হঠাৎ বিয়োগ হয়। এফালে আৰ্থিক দৈন্যতা আৰু আনফালে পিতৃৰ আকস্মিক বিয়োগ। কি কৰিব, কি নকৰিব তেওঁ উপায় বিচাৰি নোপোৱা হ'ল। প্ৰকৃততে তেনে দূৰ্যোগৰ সময়ত জীয়াই থকাৰ পথ তেওঁৰ বাবে ৰুদ্ধ হৈ পৰে। বুজন পৰিমাণৰ বিভিন্নজনৰ ওচৰত ধাৰ, পিতৃ-মাতৃ-প্ৰথমা পত্নীৰ বিয়োগ, আৰ্থিক মন্দাৰ পিছতো তেওঁ মনৰ শক্তি হেৰুৱাই পেলোৱা নাছিল। তেওঁ এনে বিপদৰ মাজতো জীয়াই থাকিবলৈ সাহস গোটাই লৈছিল। কেতিয়াবা এনেকুৱা হয়, তেওঁ যেন কেতিয়াও জীৱনৰ বাবে আৰু কিবা আছে বুলি ভাবিব পৰা নাছিল। ইমান

বেয়াকৈ তেওঁ ঋণত ডুব যায় পৰিশোধ কৰাৰ উপায় বিচাৰি পোৱা নাছিল। সেই সংকট, দুৰ্যোগপূৰ্ণ মুহূৰ্তত মোকালবাৰী চাহ বাগিচাৰ সহকাৰী পৰিচালক মিষ্টাৰ আফিলে তেওঁক স্ব-ইচ্ছাই সহায় কৰিবলৈ আগবাঢ়ি আহিল। সহকাৰী পৰিচালকগৰাকীয়ে সময়মতে সহায় কৰিবলৈ অহাৰ ফলত তেওঁ নতুন ব্যৱসায় হিচাপে টেইলৰিং আৰম্ভ কৰে। এই ক্ষেত্ৰত সহায় কৰে তেওঁৰ পত্নী আৰু পৰিয়ালৰ সদস্যই। আকৌ এক নতুন জীৱনৰ যাত্ৰা আৰম্ভ কৰে হনুমানবক্স কানৈয়ে। টেইলৰিঙৰ যোগেদি তেওঁ জীয়াই থকাৰ পথ বাচি লয়। মানুহৰ জীৱনত সাধাৰণতে যিমান দূৰ্যোগ, বিপদ, সংকট দেখা যায় হনুমানবক্স কানৈৰ জীৱনৰ ক্ষেত্ৰত যেন তাতোকৈ অধিক বোজা পৰিছিল। কেৱল দুখ আৰু বেদনাৰে তেওঁ জীৱনৰ বাটত খুপি খুপি আগুৱাই গৈছিল। সুখ বোলা সম্পদ এবিধ যে মানুহৰ জীৱনত থাকে সেই কথা হনুমানবক্স কানৈয়ে কোনো দিনেই অনুভৱ কৰিব পৰা নাছিল। কেৱল দুখ আৰু দুখ। দুখৰ মাজতে দিন-ৰাতি অতিক্ৰম কৰিছিল।

১৯১৭ চনৰ পৰা তেওঁৰ জীৱনলৈ কিছু পৰিৱৰ্তন আহিবলৈ ধৰে। সুখে কিছু চকামকাকৈ তেওঁৰ জীৱনত ধৰা দিয়ে। সেই পৰিৱৰ্তন বৰ চমকপ্ৰদ আছিল। সুখৰ দিনৰ বাবে যেন অপেক্ষা কৰি আছিল। জীৱনৰ অৰ্ধেক সময় দুখৰ মাজতে পাৰ কৰাৰ পিছত সুখৰ অনুভূতি এনেকৈ আহিব বুলি তেওঁ ভাবিব পৰা নাছিল। প্ৰকৃততে ক'বলৈ গ'লে সেই সময়ৰ পৰাই তেওঁৰ জীৱনৰ সফলতাৰ জয়যাত্ৰা আৰম্ভ হয়। এজন প্ৰৱজনকাৰী শ্ৰমিক চুলতানসহ কেইজনমানে হনুমানবক্স কানৈক ৪২ একৰ ওখ ভূমি গণেশবাৰী অঞ্চলত বিক্ৰী কৰে। সেই অঞ্চলটো সৰু পথাৰ গাওঁ নামে জনাজাত আছিল। হনুমানবক্স কানৈৰ তীক্ষ্ণ মগজুৰে তৎক্ষণাত সিদ্ধান্ত ল'লে কি কৰিব লাগিব আৰু কি কৰিব নালাগে। তেওঁ সেই ভূমিত চাহ খেতি কৰিবলৈ ধৰে আৰু চাহ পুলিবোৰ আনিছিল অকলেণ্ড অঞ্চলৰ পৰা। তেওঁ চাহ পুলি ৰোপণৰ বাবে সময় নিৰ্ধাৰণ কৰি লৈছিল ১৯১৭ চনৰ ৪ ফেব্ৰুৱাৰী, দিনৰ ২ বজাত। এই সময়টোৱেই কানৈৰ বিপুল সাম্ৰাজ্যৰ ইতিহাসৰ সোণালী সময় আছিল আৰু সেই সময়খিনিৰ পৰাই হনুমানবক্স কানৈৰ পৰিয়ালে সোণালী ইতিহাসৰ পাতনি মেলিবলৈ ধৰে। যি পাতনি প্ৰকৃততে ক'বলৈ গ'লে উন্নয়নৰ ৰথ যাত্ৰা। কিন্তু এনে সফল জয়যাত্ৰা আৰম্ভ হোৱাৰ পিছতে আকৌ তেওঁক দুখৰ ঘটনাই কোবাই গ'ল। অৰ্থাৎ চাহ গছ ৰোপণ কৰাৰ

প্ৰক্ৰিয়া চলি থকাৰ মাজতে পুনৰ এক দুখৰ খবৰ তেওঁৰ জীৱনলৈ আহে। যেন হনুমানবক্স কানৈক দুখে লগ নেৰা হ'ল! তেওঁৰ উত্তৰণৰ জয়যাত্ৰাৰ ক্ষণতে তেওঁৰ আটাইতকৈ আপোন আৰু পৈতৃক ব্যৱসায় স্বৰূপ মোকালবাৰীত থকা দোকানখন জ্বলি যায়। দিশহাৰা হৈ পৰে তেওঁ। এনে যন্ত্ৰণাৰ মাজত তেওঁ মাথোঁ কৈছিল — 'এয়া ভগৱানৰ আশীৰ্বাদহে, ই এক তাৎপৰ্যপূৰ্ণ ঘটনা আৰু বেয়াৰ পিছত পুনৰ ভাল দিনৰ বতৰা।' একমাত্ৰ দোকানখন জ্বলি যোৱাৰ মুহূৰ্তত সেয়া ভগৱানৰ আৰ্শীবাদ বুলি গ্ৰহণ কৰাতো কম মহান চিন্তাৰ কাৰক নহয়! তেওঁ ভগৱানৰ ওপৰত অতি বিশ্বাস কৰিছিল সেয়ে এনে দূৰ্যোগ আৰু দুঃসময়ৰ মাজতে তেওঁ ইতিবাচক সপোন দেখিছিল আৰু ভগৱানক ভৰসা কৰিছিল। সেই বিপদৰ সময়ত দুজন বন্ধু তেওঁৰ ছাঁৰ দৰে আছিল। এজন হ'ল তিনিচুকীয়াৰ চাহ খেতিয়ক হোমেশ্বৰ বৰুৱা আৰু আনজন হ'ল ডিব্ৰুগড়ৰ ৰাই বাহাদুৰ এচ দুৱৰা। প্ৰকৃততে এই দুগৰাকীয়েই তেওঁৰ গণেশবাৰী চাহ বাগিচাৰ নামকৰণ কৰাত সহায় কৰিছিল আৰু সেই বাগিচা হনুমানবক্সৰ পিতৃৰ নামত ৰখাৰ বাবে দুয়োগৰাকীয়ে জোৰ দিছিল। বিভিন্ন বিপদ, সংকটৰ মাজতে তেওঁ মোকালবাৰী চাহ বাগিচাৰ ১০৪ মোন চাহ বিক্ৰী কৰিছিল। ক্ৰমান্বয়ে তেওঁৰ কঠোৰ পৰিশ্ৰম আৰু অহৰহ চেষ্টাৰ ফলত চাহৰ উৎপাদন বাঢ়িবলৈ ধৰে। তেওঁ নিজৰ বাগিচাৰ বাবে কাৰখানাৰ নতুন যন্ত্ৰপাতি ক্ৰয় কৰিবলৈ ধৰিলে আৰু উৎপাদন বৃদ্ধিৰ প্ৰচেষ্টা চলালে। এইবাৰ যেন তেওঁক কোনেও বাধা দিব নোৱাৰিলে! হনুমানবক্স কানৈৰ গণেশবাৰী চাহ বাগিচাৰ বাবে বিভিন্ন উৎসৰ পৰা গ্ৰহণ কৰা ঋণসমূহ পৰিশোধ কৰিবলৈ সক্ষম হৈছিল আৰু বিভিন্নজনে তেওঁক ঋণৰ বাবদ সহায় কৰিছিল।

হনুমানবক্স কানৈৰ জন্ম হৈছিল যেন কেৱল মানুহ আৰু সমাজৰ বাবে। মানুহক কেনেদৰে সহায় কৰিব পাৰি, সমাজলৈ কেনেদৰে বৰঙনি আগবঢ়াব পাৰি, সমাজখনক কেনেদৰে ভাল পাব পাৰি, সেই বিষয়ে তেওঁৰ দৰ্শনৰ পৰা অনুভৱ কৰিব পাৰি। সমাজখনক তেওঁ ভালপোৱাৰ মাজেৰে নেতৃত্ব দিছিল। প্ৰশংসা কৰিবলগীয়া কামখিনিক তেওঁ মুকলিকৈ প্ৰশংসা কৰিছিল আৰু যি প্ৰশংসাৰ অযোগ্য সেইটো তেওঁ মুকলিকৈ তেওঁৰ ক্ষোভ প্ৰকাশ কৰিছিল। সাধাৰণতে তেওঁৰ মন সমাজকেন্দ্ৰিক আছিল। পুৱাৰ পৰা নিশালৈকে সমাজৰ উত্তৰণৰ বাবেই চেষ্টা কৰিছিল। অৰ্থনৈতিক দিশত

উত্থান-পতন হ'লেও তেওঁ সমাজখনক ভাল পাবলৈ এৰা নাছিল। কৃত্ৰিম ভাল পোৱা তেওঁৰ নাছিল। আমাৰ সমাজত এচামে কৃত্ৰিমভাবে সমাজখনক ভাল পোৱা দেখুৱায়। প্ৰকৃততে সেইচাম মানুহে সমাজখনক ভালেই নাপায়। নিজৰ অনুষ্ঠানটোক নিজৰ বুলি কোনো দিনে নাভাবে। কিন্তু সেই অনুষ্ঠানটোক লৈ আনৰ আগত গৌৰৱ কৰে। প্ৰকৃততে একো বৰঙনি নিদিয়াকৈ নিজৰ বুলি দাবী কৰাতো হাস্যকৰ। কি বৰঙনি সমাজখনলৈ দিছে, কি বৰঙনি মানুহৰ বাবে আগবঢ়াইছে সেইটো নিজক সুধিলেই হয়, নিজৰ স'তে বাৰ্তালাপ কৰিলেই সেয়া অনুভৱ কৰিব পাৰে। কিন্তু হনুমানবক্স কানৈ তেনে ব্যক্তি নাছিল। দৰাচলতে তেওঁ আছিল হাড়ে-হিমজুৰে, মনে-প্ৰাণে সমাজ আৰু মানুহক ভাল পোৱা মানুহ। সেয়ে হনুমানবক্স কানৈয়ে ব্যৱসায়ৰ সমান্তৰালভাবে বিভিন্ন সামাজিক কাম-কাজতো প্ৰত্যক্ষভাবে জড়িত হৈ আছিল। সমাজত সংঘটিত হৈ থকা বিভিন্ন অনীতি-অনিয়ম প্ৰতিৰোধ কৰাত তেওঁ সদায় আগভাগ লৈছিল। তেওঁ ভগৱানক অতি বিশ্বাস কৰিছিল আৰু ভগৱানৰ দৰে প্ৰতিজন মানুহকে শ্ৰদ্ধা কৰিছিল। ভগৱানৰ প্ৰতি থকা বিশ্বাস আৰু আস্থাৰ বাবেই তেওঁ প্ৰতি দিনে হৰি কীৰ্তন কৰিছিল আৰু বাগিচাৰ শ্ৰমিকসকলকো অন্যান্য কৰ্তব্যৰ সময়তো ভগৱানৰ প্ৰতি বিশ্বাস ৰাখিবলৈ কৈছিল। তেওঁৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তথা আদৰ্শ আছিল 'নিষ্কাম কৰ্ম'। ইয়াৰ যোগেদি ভগৱানৰ ওচৰত তেওঁ গোটেই জীৱন সমৰ্পণ কৰাৰ আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে।

হনুমানবক্স কানৈৰ জীৱনত উত্থান-পতনৰ যেন অন্ত নাই। কেতিয়াবা তেওঁ জীৱনৰ বাটত আগুৱাই যাওঁতে সফল হৈছে আৰু যেন কেতিয়াবা বাৰুকৈয়ে বিফল হৈছে, পুনৰ পিছলৈ ওভতি যাব লগা হৈছে। সফলতা আৰু বিফলতাৰ মাজতে তেওঁ জীৱন আগুৱাই নিছিল, একমাত্ৰ তেওঁৰ নিজৰ ওপৰত থকা অগাধ বিশ্বাসৰ বাবে। চাহ বাগিচাৰ পৰা উপাৰ্জনৰ পথ মুকলি হোৱাৰ পিছত তেওঁ হয়তো ভাবিছিল তেওঁক যেন বহু পৰীক্ষা-নিৰীক্ষা কৰি ভগৱানে আগুৱাই যোৱাৰ পথ মুকলি কৰি দিছে! কিন্তু সেয়া নহ'ল। ১৯১৭ চনৰ পৰা ১৯২৭ চনলৈ তেওঁ কেৱল বাগিচাৰ কামতে অধিক মনোযোগ দিছিল। ইমান পৰিশ্ৰম আৰু চেষ্টা কৰাৰ পিছতো তেওঁৰ ভাল দিনবোৰ বৰ দীঘলীয়া নহ'ল। ১৯৩০ চনত পুনৰ আৰ্থিক মন্দাৱস্থাৰ সৃষ্টি হয়। এনে সন্ধিক্ষণত চাহৰ বজাৰেও তীব্ৰ প্ৰত্যাহ্বানৰ

সন্মুখীন হৈছিল। চাহৰ মূল্য ইমান তললৈ নামিবলৈ ধৰিলে যে তেওঁ এক প্ৰকাৰ দেউলীয়া হোৱাৰ উপক্ৰম ঘটিল। প্ৰতি পাউণ্ড চাহৰ মূল্য মাত্ৰ ৬ টকা হয়গৈ। চাহৰ মূল্য নিম্নগামী হোৱাৰ ফলত তেওঁ বিভিন্ন উৎসৰ পৰা লোৱা ঋণ পৰিশোধ কৰিবলৈ পুনৰ অক্ষম হৈ পৰে। আনকি ১ লাখ টকাৰ ঋণৰ বাবদ সুদ দিবলৈও তেওঁ সক্ষম হোৱা নাছিল। অৱশ্যে সেই দুৰ্যোগৰ সময়ত মেৰ্ছাচ ৰামপদ দাস, ৰামেশ্বৰ বৰবৰুৱাৰ তৰফৰ পৰা কিছু আৰ্থিক সকাহ লাভ কৰাত কিছু কঠিন মুহূৰ্ত অতিক্ৰম কৰিবলৈ সক্ষম হৈছিল। কেৱল সেয়াই নহয়, এটাৰ পিছত আনটো সংকতে তেওঁক পুনৰ লগ নেৰা হ'ল। ব্যাপক আৰ্থিক সংকতত তেওঁ জ্বলা-কলা খাই থকাৰ সময়তে আন এটা ধুমুহাই তেওঁক আঘাত কৰে। সেয়া হ'ল তেওঁৰ অতি সমৰ্থক শয়নে-সপোনে, দিনে-নিশাই বিপদৰ সময়ত মূলশক্তি ৰূপে থকা তেওঁৰ দ্বিতীয়গৰাকী পত্নী মনোহাৰী দেৱী স্বৰ্গগামী হয়। দ্বিতীয়া পত্নীৰ বিয়োগত এক প্ৰকাৰ তেওঁ যেন পুনৰ নিসংগ, অকলশৰীয়া, সমৰ্থহীন হৈ পৰিল। কাৰণ বিভিন্ন বিপদৰ সময়ত তেওঁৰ পত্নী মনোহাৰী দেৱীয়ে তেওঁক অনুপ্ৰেৰণা দিছিল, নৈতিকভাৱে সাহস দিছিল, পথ দেখুৱাইছিল আৰু সামাজিক বা ব্যৱসায়িক ক্ষেত্ৰখনত কেনেকৈ আগুৱাই যাব লাগে, প্ৰতিশ্ৰুতি কি সেই বিষয়ে উৎসাহিত কৰিছিল। পত্নীৰ বিয়োগত কেনেদৰে তেওঁ আগবাঢ়িব? কিন্তু তেওঁৰ দ্বিতীয়া পত্নী মনোহাৰী দেৱীৰ মৃত্যু হোৱাৰ পিছতো তেওঁ অধিক সাহসেৰে ব্যৱসায়ৰ কাম-কাজ কৰিবলৈ ধৰিলে। তেওঁ মৰমৰ পত্নীৰ মৃত্যুৰ ক্ষণ মনত ৰখাৰ উদ্দেশ্যে তেওঁৰ নামত এটা মন্দিৰ নিৰ্মাণৰ কথা ভাবে। পত্নীৰ মৃত্যু হ'লেও তেওঁৰ বাহ্যিক শৰীৰ নাথাকিলেও হনুমানবক্স কানৈয়ে পত্নীৰ সোঁৱৰণত গণেশবাৰী চাহ বাগিচাত য'ত তেওঁক সৎকাৰ কৰা হয়, সেই ঠাইতে এটা শিৱ মন্দিৰ স্থাপন কৰে। মন্দিৰ নিৰ্মাণৰ যোগেদি তেওঁ সামজিক কাম-কাজ আৰু সম্প্ৰসাৰিত হ'বলৈ ধৰে। দ্বিতীয়া পত্নীৰ প্ৰতি থকা অগাধ মৰম আৰু ভালপোৱা হনুমানবক্স কানৈয়ে মন্দিৰ স্থাপনেৰে সকলোৰে বাবে আদৰ্শ হিচাপে এৰি গ'ল।

প্ৰকৃততে হনুমানবক্স কানৈৰ কঠোৰ পৰিশ্ৰম আৰু নিশ্চিত লক্ষ্য আৰু উদ্দেশ্যৰ বাবে তেওঁ বহু উত্থান-পতনৰ মাজতো সাহসেৰে আগুৱাই গৈছিল। ১৯৩২ চনত চাহ শিল্পৰ বাবে এক বিপ্লৱৰ সূচনা হয়। সেই তেতিয়াই এখন 'চাহ অনুজ্ঞা পত্ৰ সমিতি' গঠন কৰা হয়। ১৯৩৬ চনত

তেওঁৰ অৱস্থা পুনৰ ভাললৈ আহে আৰু সকলো ঋণ সুদসহ পৰিশোধ কৰিবলৈ সক্ষম হয়। তেওঁক সকলোৱে এজন চাহ উদ্যোগপতি হিচাপে চিনি পাবলৈ ধৰে। সেই সময়ত তেওঁ মেৰ্ছাচ গিৰিধাৰীলাল ছাদৰমল নামৰ ৬ একৰ ভূমি সহ চাহ বাগিচাখন কিনিবলৈ সক্ষম হয়। উত্তৰণৰ দিশত আকৌ আগুৱাবলৈ ধৰিলে। ভগৱানে যেন সঁচা অৰ্থত তেওঁৰ ওপৰত পৰীক্ষাহে কৰিছে। এইবাৰ ইখনৰ পিছত সিখন চাহ বাগিচা কিনি তেওঁ চাহ সাম্ৰাজ্যত আধিপত্য বিস্তাৰ কৰিলে। ইয়াৰ মূল কাৰণটোৱেই হ'ল তেওঁ এজন নীতিনিষ্ঠ আৰু শক্তিশালী মনৰ মানুহ বুলি সকলোৱে চিনি পাইছিল। আনকি তেওঁৰ সাহস দেখি সেই সময়ত অনেকজনে তেওঁক বিভিন্ন নামেৰে নামকৰণ কৰিছিল। কাৰণ দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত যেতিয়া সমগ্ৰ দেশৰ লগতে ডিব্ৰুগড়তো ভয়, ভীতিৰ সঞ্চাৰ হৈছিল, সেই সময়ত বহুতে অসমৰ ব্যৱসায় এৰি অলৈ-তলৈ পলাই গৈছিল। বিশ্ব যুদ্ধৰ ভয়াৱহতাই এনে এটা পৰিৱেশ সৃষ্টি কৰিছিল যে তেওঁৰ পৰিয়ালো অসমৰ পৰা যাবগৈ নে, অসমতে থাকিব তেনে চিন্তা কৰিব লগা হৈছিল। হনুমানবক্স কানৈৰ সাহসৰ বাবে দ্বিতীয় বিশ্ব যুদ্ধৰ সেই ভয়াৱহ সময়তো তেওঁ পৰিয়ালৰ সকলোকে সাহস দি ডিব্ৰুগড়তে থকাৰ কথা কৈছিল। হনুমানবক্স কানৈৰ সাহসক পৰিয়ালৰ অন্যান্য সদস্যসকলেও সমৰ্থন কৰিবলৈ বাধ্য হৈছিল। বিশেষভাবে তেওঁৰ ভাতৃ সুৰজমল কানৈ আৰু ভতিজাক লালচান্দ কানৈয়ে তেওঁক প্ৰত্যক্ষভাবে সহায় কৰি ডিব্ৰুগড় এৰি নোযোৱাৰ বাবে সাহস যোগাইছিল। অতি আচৰিত কথা, বিশ্ব যুদ্ধৰ বিভীষিকাৰ মাজতে কলিকতা চহৰত তেওঁ প্ৰথমতো কাৰ্যালয় মুকলি কৰে আৰু সেই কাৰ্যালয়টোৰ মূল দায়িত্ব ভতিজাক লালচান্দ কানৈক অৰ্পণ কৰে। লালচান্দ কানৈৰ চিন্তা আৰু পৰিকল্পনাই হনুমানবক্স কানৈক বহুখিনি সকাহ দিছিল। যিসময়ত অন্যান্যসকলে অসম এৰি পলায়ন কৰিবলৈ ধৰিছিল, সেই সময়তে হনুমানবক্স কানৈয়ে ইখনৰ পিছত সিখন চাহ বাগিচা ক্ৰয় কৰি এক অঘোষিত প্ৰতিযোগিতাত লিপ্ত হৈছিল। বিশেষকৈ তিতা ডিমৰু চাহ বাগিচা (বৰ্তমান মনোহাৰী দেৱী চাহ বাগিচা), মোকালবাৰী চাহ বাগিচা, ৰাংলীটিং চাহ বাগিচা, উবেটাজান চাহ বাগিচা, গেলাপুখুৰী চাহ বাগিচা, চপৈ চাহ বাগিচা, মনাবেৰী চাহ বাগিচা, এথেলবাৰী চাহ বাগিচা, কামাখ্যাবাৰী চাহ বাগিচা তেওঁ ক্ৰয় কৰে। এনেধৰণে ইখনৰ পিছত সিখন চাহ বাগিচা নিজৰ হাতলৈ

অনাৰ পিছত ভাৰতবৰ্ষৰ ভিতৰত তেওঁ এজন নামী তথা জনপ্ৰিয় চাহ খেতিয়ক হিচাপে পৰিচিত হৈ পৰে।

হনুমানবক্স কানৈৰ সফলতাৰ জয়যাত্ৰা দেশৰ ভিতৰে-বাহিৰে চৰ্চা লভাৰ পিছতে তেওঁৰ নাম বিদেশলৈয়ো বিয়পে। বিদেশৰ বহু চাহ উদ্যোগীয়ে তেওঁৰ স'তে সম্পৰ্ক গঢ়িবলৈ চেষ্টা কৰে আৰু এজনৰ পিছত আনজন চাহ উদ্যোগপতিয়ে তেওঁৰ সান্নিধ্য পাবলৈ চেষ্টা কৰে। কেনেদৰে হনুমানবক্স কানৈয়ে চাহ উৎপাদন কৰে, কি কৌশল অৱলম্বন কৰে, কৰ্মচাৰীৰ স'তে কেনে সম্পৰ্ক গঢ়ি তোলে, সেই সকলোবোৰ অধ্যয়ন কৰিবলৈ বিদেশৰ বহু উদ্যোগপতি তেওঁৰ কাষলৈ আহিবলৈ ধৰে। কোনো পৰিদৰ্শনকাৰী আহিলে তেওঁৰ বাগিচাৰ কৰ্মচাৰীসকলো উৎফুল্লিত হৈ পৰে, যাৰ ফলত বাগিচা আৰু কাৰখানা পৰিচালনা কৰাত অধিক সহায়ক হৈ পৰে। হনুমানবক্স কানৈৰ বাগিচাসমূহ চাবলৈ সেই সময়ত বৃটেইন, ৰাছিয়া, আৰ্জেণ্টিনা, য়ুগ'শ্লভিয়া, ইৰাণ আদিৰ পৰা চাহ উদ্যোগপতি আহিবলৈ ধৰে আৰু তেওঁৰ কাম-কাজক ভূয়সী প্ৰসংসা কৰে। তেওঁৰ নাম দেশৰ লগতে শ্ৰীলংকাতো অধিক জনপ্ৰিয় হ'বলৈ ধৰে। অভূতপূৰ্ব জনপ্ৰিয়তা আৰু সমাজৰ প্ৰতি থকা দায়ৱদ্ধতাৰ বাবে হনুমানবক্স কানৈক ১৯৬৫ চনত দেশৰ অসামৰিক সন্মান 'পদ্মশ্ৰী' প্ৰদান কৰা হয়। ১৯৪৫ চনত সেই সময়ৰ চৰকাৰে তেওঁক অসমৰ প্ৰতি আগবঢ়োৱা বৰঙনিৰ বাবে 'ৰায় চাহেব' উপাধি প্ৰদান কৰে। একে সময়তে তেওঁ বিভিন্ন ব্যৱসায় আৰু সামাজিক অনুষ্ঠানৰ দায়িত্ব গ্ৰহণ কৰে। তেওঁ 'ভাৰতীয় চাহ সংস্থা'ৰ প্ৰথমজন সভাপতি আছিল। 'চাহ পৰামৰ্শ সমিতি'ৰ তেওঁ সদস্য হোৱাৰ লগতে 'অসম বিত্তীয় নিগম'ৰো তেওঁ সদস্য আছিল। হনুমানবক্স কানৈ 'অসম প্ৰান্তিয় মাৰোৱাৰী সন্মিলন'ৰ স'তে সক্ৰিয়ভাবে জড়িত থকাই নহয়, তেওঁ 'অসম ৰাজ্য ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি'ৰ উপৰিও অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তেও নিৱিৰভাবে জড়িত আছিল।

প্ৰকৃততে ক'বলৈ গ'লে হনুমানবক্স কানৈ এনে এজন ব্যক্তি যিগৰাকীয়ে কেৱল আনৰ বাবে জীৱনটোত কাম কৰি গ'ল। তেওঁ কেতিয়াও আনক সহায় কৰিব পৰা সময়ৰ সুযোগ এৰি নিদিয়ে। যদিও তেওঁৰ আৰ্থিক অৱস্থা বিভিন্ন সংকটৰ মাজত পৰিছিল, সেই সময়খিনিটো তেওঁ আনক সহায় কৰি যুদ্ধখনৰ পৰা আঁতৰি অহা নাছিল। তেওঁৰ

মানৱদৰদী সহৃদয়খনৰ কোনো সীমা নাছিল। কেৱল অসমতে নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত তেওঁ দান-বৰঙনি আগবঢ়াইছিল। তেওঁ এটা কথা বিশ্বাস কৰিছিল যে, যিসকলে আনৰ বাবে ত্যাগ স্বীকাৰ কৰিব পাৰে, যিসকল ব্যক্তিয়ে আনক সহায় কৰিব পাৰে, আনৰ দুখত চকুলো টুকিব পাৰে, আনৰ আনন্দত হাঁহিব পাৰে, সেইসকল ব্যক্তিক ভগৱানে সদায় সদয় দৃষ্টিৰে চায়। তেওঁ ভগৱানৰ ওপৰত অগাধ বিশ্বাস কৰিছিল। ভগৱানে তেওঁক এইবাবে সকলো দিছিল যে, তেওঁ আনৰ বাবে দিব পাৰে, আনৰ দুখত চকুলো টুকিব পাৰে। তেওঁৰ উচ্চ শিক্ষা নাছিল, কোনো কলেজ-বিশ্ববিদ্যালয় গৰকি পোৱা নাছিল। আনুষ্ঠানিক শিক্ষাৰ ক্ষেত্ৰত তেওঁৰ প্ৰতিভা শূন্য। শূন্য প্ৰতিভা বা শিক্ষাৰ গৰাকী হৈও কেনেকৈ সমাজ গঠন কৰিব পাৰে, জীৱনত সফল হ'ব পাৰে হনুমানবক্স কানৈয়ে উদাহৰণ সহ দেখুৱাই গ'ল। প্ৰকৃততে শূন্য প্ৰতিভা হ'ল এনে এক প্ৰতিভা, যি প্ৰতিভাই শৃংখলা কি, সময় জ্ঞান কি, জীৱনক ভাল পোৱা কি? এই বিষয়ে জ্ঞান দিয়ে। মুঠতে কলেজ-বিশ্ববিদ্যালয়ৰ উচ্চ ডিগ্ৰী নহ'লেও মানুহে সফল হ'ব পাৰে, জ্ঞানী হ'ব পাৰে, সমাজ হিতৈষী হ'ব পাৰে, শৃংখলাৱদ্ধ হ'ব পাৰে, পৰিশ্ৰমী হ'ব পাৰে, ইতিবাচক দৃষ্টিভংগীৰ হ'ব পাৰে, ধৈৰ্যশীল হ'ব পাৰে, নীতিনিষ্ঠ হ'ব পাৰে, শক্তিশালী মনৰ হ'ব পাৰে, সময় সচেতক হ'ব পাৰে, সেয়া হনুমানবক্স কানৈৰ জীৱন-চৰ্যা অধ্যয়ন কৰিলেই অনুমান কৰিব পাৰি। বহু উচ্চ ডিগ্ৰীধাৰি শিক্ষিত মানুহৰ গাত এই গুণসমূহ দেখিবলৈ পোৱা নাযায়। কলেজ-বিশ্ববিদ্যালয়ৰ প্ৰমাণ পত্ৰৰ ভিত্তিতহে এচাম মানুহে গুণী-জ্ঞানী বুলি পৰিচয় দিয়ে। দৰাচলতে তেনে শ্ৰেণীৰ অধিক মানুহেই জীৱনত নীতিনিষ্ঠ হোৱা দেখা নাযায়, সময়মানি চলা পৰিলক্ষিত নহয়। শৃংখলা, ধৈৰ্য, ইতিবাচক দৃষ্টিভংগী আদি কৰবাতে থাকে। সমাজত অনেক মানুহে কোটি কোটি ধন আহৰণ কৰে যদিও স্কুল-কলেজ-বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে এটা শিল বা ইটাৰ মূল্যও দান-বৰঙনি হিচাপে আগবঢ়াব নোৱাৰে। হনুমানবক্স কানৈ ইয়াৰ সম্পূৰ্ণ বিপৰীত আছিল।

তেওঁ উচ্চ শিক্ষা গ্ৰহণ কৰিব পৰা নাছিল ঠিকেই, কিন্তু তেওঁ সমগ্ৰ দেশতে উচ্চ শিক্ষা প্ৰতিষ্ঠান গঢ়ি তোলাত আগভাগ লৈছিল। যিসকল ব্যক্তিয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিব নোৱাৰিছিল, সেইসকল ব্যক্তিক তেওঁ বৃত্তি যোগান দি পঢ়াত সহায় কৰিছিল। তেওঁ উচ্চ শিক্ষাৰ বাবে যথেষ্ট দান-

বৰঙনি আগবঢ়াইছিল। অসমতে নহয়, ৰাজস্থানটো তেওঁ উচ্চ শিক্ষা প্ৰতিষ্ঠানলৈ সহায় আগবঢ়াইছিল। অসমৰ ঐতিহাসিক কানৈ মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, কানৈ বাণিজ্য মহাবিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, কানৈ আইন মহাবিদ্যালয় আদি প্ৰতিষ্ঠা কৰি সমাজৰ বাবে অযুত বৰঙনি দি থৈ গ'ল। অসম মেডিকেল কলেজৰ কেইবাটাও বিভাগ মুকলি কৰাত তেওঁ সহায় কৰিছিল। বিশেষকৈ দুখীয়া ৰোগী আৰু ৰাইজৰ সহায়ক হোৱাকৈ তেওঁ শিক্ষানুষ্ঠান স্থাপন কৰি সামাজিক দায়ৱদ্ধতাৰ প্ৰমাণ দি গ'ল। ডিব্ৰুগড়ত উচ্চ শিক্ষানুষ্ঠান প্ৰতিষ্ঠাৰ ক্ষেত্ৰত হনুমানবক্স কানৈয়ে যি দায়ৱদ্ধতাৰ পৰিচয় দি গ'ল, সেই পৰিচয়ে তেওঁক আজীৱন জীয়াই ৰাখিব। কানৈ মহাবিদ্যালয় প্ৰথমে 'ডিব্ৰুগড় কলেজ' ৰূপে একাংশ শিক্ষাসদী ৰাইজে প্ৰতিষ্ঠা কৰিছিল। 'ডিব্ৰুগড় কলেজ'ত ১৯৪৫ চনৰ ১৫ জুনৰ পৰা পাঠদান আৰম্ভ হৈছিল। মহাবিদ্যালয়খন স্থাপন কৰাৰ ক্ষেত্ৰত বিভিন্ন বাদ-বিবাদ, যুক্তি-তৰ্কৰ সৃষ্টি হৈছিল। এচামে ডিব্ৰুগড়ত কলেজ প্ৰতিষ্ঠা কৰাত ভাল পোৱা নাছিল আৰু সেই চামে ইয়াৰ বিৰোধিতা কৰিছিল। কিন্তু কেইজনমান শিক্ষাসদী ব্যক্তি অশ্বিনী চৰণ চৌধুৰী, ড° লক্ষ্মী প্ৰসাদ দত্ত প্ৰমুখ্যে এচাম ব্যক্তিয়ে ডিব্ৰুগড়ত কলেজ নিৰ্মাণৰ স'তে জোৰ দি আগুৱাই গৈছিল। অশ্বিনী চৰণ চৌধুৰী সেই সময়ত জৰ্জ ইনষ্টিটিউশ্যনৰ শিক্ষক আছিল। এজন শিক্ষকেনো কি কলেজ স্থাপন কৰিব বুলি এচামে সমালোচনা, ইতিকিং কৰিছিল। অশ্বিনী চৰণ চৌধুৰী নামনি অসমৰ আছিল। প্ৰকৃততে ১৯৪৫ চনৰ ২৮ মে' তাৰিখে জৰ্জ ইনষ্টিটিউশ্যনত বেণুধৰ ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনতে প্ৰথমখন পৰিচালনা সমিতি গঠন কৰি কলেজখন আগুৱাই নিছিল। প্ৰথম অৱস্থাত কলেজখনৰ উপাধ্যক্ষ নাছিল যদিও ১৯৪৭ চনৰ ২৭ চেপ্তেম্বৰত ড° লক্ষ্মী প্ৰসাদ দত্তক উপাধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। কলেজখনৰ বাবে আৰ্থিক সমস্যা সৃষ্টি হোৱাত পৰিচালনা সমিতি হনুমানবক্স কানৈৰ কাষ চাপে। কানৈয়ে লগে লগে এক লাখ টকা দান আগবঢ়ায়। সেই সময়ত এক লাখ টকা তৎক্ষণাত আগবঢ়োৱাতো ইমান সহজ নাছিল। তথাপি উচ্চ শিক্ষাৰ পাতনি মেলিবলৈ তেওঁ সেই সময়ত বুজন পৰিমাণৰ ধন আগবঢ়াবলৈ আগবাঢ়ি আহিছিল। তেওঁৰ হৃদয় কিমান বহল আছিল এনেবোৰ ঘটনাৰ পৰাই উমান পাব পাৰি। তেওঁৰ অবিহনে হয়তো ডিব্ৰুগড়ত প্ৰথমখন মহাবিদ্যালয় স্থাপন হোৱাটোৱেই

কষ্টকৰ হ'লহেঁতেন!

১৯৫০ চনৰ ২৫ জুলাই তাৰিখৰ পৰা হনুমানবক্স কানৈ আৰু সুৰজমল কানৈয়ে আগবঢ়োৱা দানৰ চৰ্ত সাপেক্ষে 'ডিব্ৰুগড় কলেজ'খন 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়' নামেৰে জনাজাত হয়। এতিয়া যিটো ভৱনত কানৈ মহাবিদ্যালয় জিলিকি আছে, সেই ভৱনটো ১৯৫৫ চনৰ ৯ ফেব্ৰুৱাৰীত অসমৰ বিত্ত মন্ত্ৰী মতীৰাম বৰাই আধাৰশিলা স্থাপন কৰিছিল আৰু ১৯৫৮ চনৰ ২৯ ডিচেম্বৰত তাদানিন্তন উপ-ৰাষ্ট্ৰপতি পণ্ডিত ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে ভৱনটোৰ দ্বাৰ মুকলি কৰিছিল। হনুমানবক্স কানৈৰ বদান্যতা, উচ্চ শিক্ষাৰ প্ৰতি থকা মৰম ভালপোৱা আৰু অৱদানৰ ফলস্বৰূপে নতুন ভৱন নিৰ্মাণ কৰাৰ প্ৰস্তুতি চলোৱা হয় আৰু ১৯৫৯ চনত ভৱনটো ছাত্ৰ-ছাত্ৰীৰ পাঠদানৰ বাবে মুকলি কৰা হয়। যি ভৱন নিৰ্মাণ কৰা হৈছিল সেই ভৱনৰ আৰ্হি বোধকৰো ভাৰতবৰ্ষৰ কোনো কলেজ-বিশ্ববিদ্যালয়ত দেখা পোৱা নাযায়। কি অনুপম, চালে চকুৰোৱা, মননশীল, দৃষ্টিনন্দন এই ভৱন। ভৱনৰ আৰ্হিৰ পৰাই অনুমান কৰিব পাৰি হনুমানবক্স কানৈ এগৰাকী সৃজনীশীল, কলাসুলভ, নতুনত্ব, সুক্ষ্ম বিশ্লেষক মনৰ মানুহ আছিল। জনামতে হনুমানবক্স কানৈয়ে সেই সময়তে পুঁথিভড়ালৰ উন্নয়নৰ বাবেও দহ হাজাৰ টকা আগবঢ়াইছিল। পুঁথিভড়ালৰ বাবে আগবঢ়োৱা ধনৰাশিয়ে মহাবিদ্যালয়খনক যথেষ্ট সকাহ দিছিল। লগতে অনুমান কৰিব পাৰি তেওঁ গ্ৰন্থ পিপাসু মনৰ মানুহ আছিল। যদিও তেওঁৰ উচ্চ শিক্ষা নাছিল। মহাবিদ্যালয়খনৰ উত্তৰণৰ বাবে তেওঁ কিমান লক্ষ ব্যয় কৰিছিল, সেয়া সঠিক তথ্য লাভ নহ'লেও আজিৰ তাৰিখত কেইবা কোটি মূল্যৰ ধন তেওঁ মহাবিদ্যালয়খনৰ বাবে আগবঢ়াইছিল।

জনা যায় যে, কলেজখনৰ বাবে এটা সুন্দৰ ভৱন দান দিয়াৰ বাবে কানৈক ইয়াৰ সামাজিক স্বীকৃতি দিবলৈ সেই সময়ৰ পৰিচালনা সমিতিয়ে ৰাজহুৱা সম্বৰ্ধনা জনাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সম্বৰ্ধনা সভাত কানৈক এহাল হৰিণা পোৱালি, এদাল হাতী দাঁতৰ লাখুটি উপহাৰ দিছিল। হৰিণ হালৰ দাম ৪৪৩ টকা ১২ অনা আৰু লাখুটি দালৰ দাম ৪২ টকা আছিল। সম্বৰ্ধনা লাভ কৰা সেই সভাত হনুমানবক্স কানৈ ইমান বেছি অভিভূত হৈ পৰিছিল যে ডিব্ৰুগড়ত কলেজ কিয়, বিশ্ববিদ্যালয় স্থাপনৰ কথা ভাবিলেও তেওঁ সকলো দিশতে সহায় কৰিব বুলি সেই সভাত মন্তব্য কৰিছিল। সেই

সম্বৰ্ধনাৰ পিছতে ১৯৬০ চনৰ ১৫ অক্টোবৰত বহা 'কানৈ মহাবিদ্যালয় পৰিচালনা সমিতি'ত সিদ্ধান্ত গ্ৰহণ হয়, ডিব্ৰুগড়ত এখন বিশ্ববিদ্যালয় স্থাপন কৰাৰ কথা। হনুমানবক্স কানৈ সেই সময়ত কলেজৰ নিজে সভাপতি হিচাপে থকাত নিজেই সেই প্ৰস্তাৱটো আলোচনা কৰিবলৈ দিছিল। বিশ্ববিদ্যালয়খন খোলাৰ বাবে ড° লক্ষ্মী প্ৰসাদ দত্তক ইটো-সিটো কাম কৰিবলৈ হাত খৰচৰ বাবে মাহে ৫০ টকা ব'নাছো দিছিল। সেই সময়ত অসমৰ মুখ্যমন্ত্ৰী আছিল বিমলা প্ৰসাদ চলিহা। একে সময়তে যোৰহাটতো এখন বিশ্ববিদ্যালয় খুলিব লাগে বুলি প্ৰস্তাৱ দিয়া হৈছিল। ইফালে কানৈ কলেজৰ ফালৰ পৰাও প্ৰস্তাৱ দিয়া হৈছিল বিশ্ববিদ্যালয় স্থাপনৰ। মুখ্যমন্ত্ৰীয়ে কৈছিল— এই সময়ত খুব ধনৰ অভাৱ, বিশ্ববিদ্যালয় খুলিবলৈ ধন নাই। কিন্তু যিটো পক্ষই টকা দিব পাৰিব, সেইটো পক্ষৰ বাবে তেওঁ সহায় কৰি দিব। ড° লক্ষ্মী প্ৰসাদ দত্তই হনুমানবক্স কানৈক মুখ্যমন্ত্ৰীৰ ওচৰলৈ লৈ গ'ল। কানৈয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়খনৰ কাৰণে ২৫ লাখ টকা দান দিয়াৰ প্ৰতিশ্ৰুতি দিলে। সেই প্ৰতিশ্ৰুতি অনুসৰি ডিব্ৰুগড়ত বিশ্ববিদ্যালয় স্থাপন কৰা হয়। ৩ লাখ মান টকা দিয়াৰ পিছত কানৈৰ তৰফৰ পৰা কোৱা হৈছিল যে— য'ত বিশ্ববিদ্যালয়খন হ'ব সেই ঠাইক কানৈ নগৰ হিচাপে নামকৰণ কৰিব লাগিব। সেই প্ৰস্তাৱ বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বিবেচনা কৰা নকৰাৰ মাজতে হনুমানবক্স কানৈৰ মৃত্যু হয়।

প্ৰসংগক্ৰমে উল্লেখ কৰি নথ'লে হয়তো ভুল কৰা হ'ব। ১৯৬০ চনৰ ২৭ আগষ্টত অনুষ্ঠিত কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাত হনুমানবক্স কানৈয়ে তেওঁৰ পত্নী মনোহাৰী দেৱীৰ নামত এখন ছোৱালী মহাবিদ্যালয় সাজি দিয়াৰ কথা কয়। সেই মৰ্মে ১৯৬৩ চনৰ ৫ জুলাই তাৰিখে মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে দেশৰ শিক্ষামন্ত্ৰী কে এল মালীয়ে। সেই অনুষ্ঠানত অসমৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাও উপস্থিত আছিল। ১৯৬০ চনৰ ২১ চেপ্তেম্বৰত অনুষ্ঠিত ডি এইচ এচ কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিয়ে ডি এইচ এচ কানৈ বাণিজ্য মহাবিদ্যালয় নামেৰে শাখাটো পৃথকে পূৰ্ণ পৰ্যায়ৰ বাণিজ্য মহাবিদ্যালয়লৈ ৰূপান্তৰিত কৰে। প্ৰথম পৰ্যায়ত তিনিওখন মহাবিদ্যালয়ৰ হে কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিয়ে পৰিচালনা কৰিছিল। হনুমানবক্স কানৈয়ে ভৱন নিৰ্মাণৰ দায়িত্বও লয়। সেই ভৱনতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ

প্ৰথম কাৰ্যালয় বহিছিল। ১৯৬২ চনৰ ২৫ জুন তাৰিখে ভাৰতৰ বিত্ত মন্ত্ৰী মোৰাৰজী দেশায়ে বাণিজ্য মহাবিদ্যালয়ৰ ভৱনৰ আধাৰশিলা স্থাপন কৰে। নিজে উচ্চ শিক্ষা গ্ৰহণ কৰিব নোৱাৰিলেও আনৰ উচ্চ শিক্ষা গ্ৰহণৰ বাবে তেওঁ সমাজৰ বাবে সেইখিনি কৰি গ'ল। তেওঁ হয়তো ভাবিছিল নিজে বিভিন্ন সংকট আৰু সংগ্ৰামৰ মাজেৰে জীৱনটো পাৰ কৰোতে উচ্চ শিক্ষা লাভ কৰাৰ সুযোগ নাপালে। নিজে উচ্চ শিক্ষিত নোহোৱাৰ দুখ হয়তো তেওঁৰ চিৰদিন মনৰ মাজত আনে বুজিব নোৱাৰাকৈ লৈ ফুৰিছিল। কিন্তু তেওঁৰ মনে হয়তো এই কথা কৈছিল— আনৰ বাবে সেই কামখিনি কৰি যোৱাতো উত্তম হ'ব। হনুমানবক্স কানৈয়ে কেৱল কানৈ মহাবিদ্যালয় স্থাপনতে গুৰুত্ব দিছিল সেয়া নহয়, তেওঁ ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে মূল উদ্যোক্তাৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। সেই কথা পূৰ্বতে উল্লেখ কৰা হৈছে। এজন ব্যক্তিৰ চিন্তা কিমান উচ্চ খাপৰ, সুদূৰ প্ৰসাৰী হ'লে তেওঁ এনেদৰে এফালৰ পৰা উচ্চ শিক্ষা প্ৰতিষ্ঠান গঢ়ি তোলাৰ ক্ষেত্ৰত আগভাগ ল'ব পাৰে। এতিয়াও বিভিন্ন ব্যক্তিয়ে মত পোষণ কৰে যে হনুমানবক্স কানৈৰ অৱদান নোহোৱা হ'লে ডিব্ৰুগড় বিশ্ববিদ্যালয় গঢ়ি নুঠিলেহেতেন। ডিব্ৰুগড়ৰ পৰিৱৰ্তে যোৰহাটত এই বিশ্ববিদ্যালয়খন গঢ় লৈ উঠিলেহেতেন। সেইদৰে কানৈ মহাবিদ্যালয়, কানৈ বাণিজ্য মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, কানৈ আইন মহাবিদ্যালয় স্থাপন নহ'লহেতেন। হনুমানবক্স কানৈয়ে আনকি ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো আৰ্থিক সাহাৰ্য আগবঢ়াইছিল। ডিব্ৰু মহাবিদ্যালয়ক কিয় ডিব্ৰু মহাবিদ্যালয় নামেৰে নামাকৰণ কৰা হ'ল সেই বিষয়ে আমোদজনক কাহিনী জড়িত হৈ আছে। সেই কাহিনীত হনুমানবক্স কানৈ নায়কৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। লেখা দীঘলীয়া হ'ব বুলি সেই কাহিনী উল্লেখ কৰাৰ পৰা আঁতৰি থাকিলো।

হনুমানবক্স সুৰজমল কানৈৰ বৰ্ণাঢ্য জীৱন লক্ষ্য কৰিলে দেখা যায় তেওঁ জীৱনৰ প্ৰতিটো দুখৰ মূহুৰ্ত সুখেৰে উজ্বলাবলৈ চেষ্টা কৰিছিল। দুখৰ সময়তো তেওঁ নিজক নিয়ন্ত্ৰণ কৰি হতাশ হোৱাৰ পৰা আঁতৰি আছিল। সেয়া তেওঁৰ বাবে আছিল আত্মবিশ্বাস। আত্মবিশ্বাস ইমানেই গভীৰ আছিল যে তেওঁ কোনো দিনে পৰাজয়বৰণ কৰিম বুলি জীৱনটো আগুৱাই নিয়া নাছিল বা জীৱন যুদ্ধত অৱতীৰ্ণ হোৱা নাছিল। বহু উত্থান-পতনৰ মাজতো

তেওঁ এগৰাকী স্থিতপ্ৰজ্ঞ ব্যক্তি হিচাপে নিজৰ কৰ্ম, নৈতিকতা আৰু সিদ্ধান্তত অটল আছিল। তেওঁ কোনো দিনেই সমাজৰ কোনো ক্ষতিকাৰক কামত জড়িত হোৱাৰ কথা ভাবিব পৰা নাছিল। সমাজখনক আগুৱাই নিবলৈ তেওঁ সপোন বান্ধি লৈছিল। উচ্চ শিক্ষা গ্ৰহণ কৰিব নোৱাৰিলেও তেওঁৰ চিন্তা উচ্চ আছিল। তেওঁৰ চিন্তা ইমানেই উচ্চ খাপৰ আছিল যে তেওঁ হেনো ঋণৰ মাজত ডুব গৈ থকাৰ মাজতো কোনো দিনেই মুখৰ ভাব-ভংগিত বা কথা-বতৰাত তেনে চাপ দেখা পোৱা নগৈছিল। মাত্ৰ ভৰষা কৰিছিল নেদেখাজনৰ ওপৰত। ভগৱানৰ প্ৰতি অগাধ বিশ্বাস থকাৰ প্ৰমাণ ভগৱানেও তেওঁক দিয়া বুলি বহুতে ক'ব বিচাৰে। এই সমাজৰ বহুতে ঈশ্বৰ বা ভগৱান বিশ্বাস নকৰে। ভগৱান সঁচাকৈ কৰ'বাত আছেনে? এনে প্ৰশ্ন বহুতে কৰে। এনে যুক্তিবিলাক খণ্ডন কৰিবলৈ অনেক যুক্তি সৃষ্টি হয়। ভগৱান আছে বুলি যেনেকৈ যুক্তি, তৰ্ক কৰিব পাৰি, সেইদৰে নাই বুলিও যুক্তি, তৰ্ক কৰিব পাৰি। বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টিৰ পাছৰে পৰা সূৰ্যই নিৰৱিচ্ছিন্নভাবে জগতক পোহৰ বিলাই আহিছে। সূৰ্যৰ উৎস ক'ত সেয়া বিজ্ঞানেও সঠিকভাবে ব্যাখ্যা আগবঢ়াব পৰা নাই। সূৰ্যৰ উৎস যে আছে সেয়া সকলোৱে বিশ্বাস কৰে। একেদৰে ভগৱান বিশ্বাসো সেই অনুৰূপে বিশ্বাস কৰা হয়। হনুমানবক্স কানৈৰ ক্ষেত্ৰত দেখা গৈছিল ভগৱানৰ তেওঁৰ ওপৰত থকা দৃষ্টি। কথিত আছে যে কানৈয়ে মৃত্যুৰ আগমূহুৰ্তত জানিব পাৰিছিল। আচৰিত যেন লাগিলেও সঁচা যে হনুমানবক্স কানৈয়েযেতিয়া জানিছিল যে তেওঁ এই পৃথিৱীৰ পৰা আঁতৰি যোৱাৰ সময় হৈছে, তেতিয়া তেওঁ মৃত্যুৰ বিষয়ে আগতীয়াকৈ যেন জানিছিল। মৃত্যুৰ কিছু মুহূৰ্তৰ আগতে তেওঁৰ বৰপুত্ৰ ভগৱান প্ৰসাদ কানৈক মাতি আনি কৈছিল — তোমালোক সকলোৱে মিলিজুলি থাকিবা আৰু সমাজৰ প্ৰতি যি দায়বদ্ধতা, মানুহৰ প্ৰতি যি দায়বদ্ধতা, মানবীয়তা কেতিয়াও কোনোকালে পাহৰি নাযাবা। মানুহ আৰু সমাজৰ বাবেই কেৱল চিন্তা কৰিবা।

১৯৬৭ চনৰ ১৯ এপ্ৰিলত যেতিয়া তেওঁৰ মৃত্যু হৈছিল, তেতিয়া তেওঁৰ মুখেৰে উচ্চাৰণ হৈছিল এইদৰে— 'হে ভগৱান, তুমি কিয় মোৰ আগত লুকাভাকু খেলি থাকা? তুমি মোৰ কাষলৈ এবাৰ আহা, আকৌ পুনৰ মোৰ ওচৰৰ পৰা গুচি যোৱা, অদৃশ্য হৈ পৰা। হে ভগৱান, কোৱাচোন মই সমাজৰ প্ৰতি, মানুহ, দেশৰ প্ৰতি মোৰ কৰিবলগীয়া কামখিনি সম্পূৰ্ণকৈ

কৰিব পৰা নাই নেকি? ' এই বুলি কোৱাৰ কিছু সময়ৰ পিছতে তেওঁ চিৰদিনৰ বাবে চকু মুদিলে। ভগৱানে যেন তেওঁৰ প্ৰাৰ্থনা মানি ল'লে। ভগৱানৰ প্ৰতি থকা অগাধ বিশ্বাস প্ৰমাণ কৰি গ'ল মৃত্যুৰ আগমূহুৰ্ততে। অতি আচৰিত কথা যে তেওঁ কোনো দিনেই শৰ্যাগত হৈ থকা নাছিল আৰু কোনো দিনেই কোনো ৰোগত আক্ৰান্ত হৈ পৰিয়ালৰ সদস্যক ক্ষন্তেকৰ বাবেও আমনি দিয়া নাছিল। বোধকৰো তেওঁৰ নিজৰ জীৱন আৰু মৃত্যুৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ আছিল। প্ৰকৃততে ক'বলৈ গ'লে তেওঁৰ মৃত্যু অতি সাধাৰণভাবে ইচ্ছাকৃতভাবেই হৈছিল। এনে অনুভৱ হয়, যেন যাওঁ বুলিয়ে তেওঁ গুছি গৈছিল এই সংসাৰ এৰি। তাৰ বাবে তেওঁৰ কাৰো ওপৰত কোনো দুখ বা ক্ষোভ নাছিল, কাৰো প্ৰতি অভিযোগ, ওজৰ-আপত্তি নাছিল। সন্তান কেইজনকো সকলো বুজাই-বঢ়াই অতি সহজভাবে যাওঁ বুলি কৈ ভগৱানৰ স'তে কথাপাতি পৃথিৱীৰ পৰা আঁতৰি গৈছিল। সেয়া অবিশ্বাস, অলৌকিক যেন লাগিলেও সঁচা কথা। যাওঁ বুলি গুচি যোৱা কথাবিলাক শুনিলে আচৰিত হোৱাৰেই কথা। কিন্তু সেয়া সত্য আছিল আৰু সেই বিষয়ে পৰিয়ালে তেওঁৰ কথাবোৰ লিপিবদ্ধ কৰি গৈছে। হনুমানবক্স কানৈৰ সমাজৰ প্ৰতি থকা অনবদ্য বৰঙণিৰ বাবে তেওঁৰ মৃত্যুৰ দিনা অৰ্থাৎ ১৯ এপ্ৰিলৰ দিনটো ৰাজ্যিক বন্ধৰ দিন হিচাপে ঘোষণা কৰিছিল। আজি সমাজৰ নতুন চামে তেওঁক চিনি নাপালেও তেওঁ যে কোনো সাধাৰণ ব্যক্তি নাছিল, সেইটো প্ৰমাণ কৰে তেওঁৰ জীৱন, তেওঁৰ মৃত্যু, তেওঁৰ কৰ্ম আৰু বক্তিত্বই। অতি সাধাৰণ ব্যৱসায়ীৰ পৰা কেইবাখনো বাগিচাৰ মালিকলৈ, প্ৰাথমিক বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ গঢ়া মানুহজন নিশ্চয় সাধাৰণ মানুহ হ'বই নোৱাৰে। অসাধাৰণ চৰিত্ৰ আৰু কথা-বতৰা, ব্যৱহাৰ, আচৰণ আছিল তেওঁৰ। কিন্তু তেওঁৰ আনুষ্ঠানিক শিক্ষা আছিল তেনেই সীমিত। হাইস্কুল, কলেজ-বিশ্ববিদ্যালয় তেওঁ গৰকিব নোৱাৰিলে। এনে ব্যক্তিত্ব আৰু গুণৰ অধিকাৰী ব্যক্তি সাধাৰণতে আধুনিক যুগত পাবলৈ নাই বুলিবই পাৰি। হনুমানবক্স কানৈয়ে অতি সাধাৰণ জীৱন-যাপন কৰি, বহু কষ্টৰে ধন উপাৰ্জন কৰি সেই ধনৰ বুজন পৰিমাণ সমাজৰ বাবে বৰঙণী হিচাপে দি গ'ল। সমাজত তেওঁ অমৰ হিচাপে নিজৰ পৰিচয় ৰাখি গ'ল। প্ৰকৃততে মানুহৰ জীৱন নিশ্চয় সেয়াই হোৱা উচিত। সোপাসোপে ধন উপাৰ্জন কৰি সমাজৰ বাবে ফুটাকড়ি এটাও দিব নোৱাৰাসকলে হনুমানবক্স কানৈৰ জীৱনৰ

পৰা প্ৰকৃত মানুহৰ জীৱন দৰ্শন সম্পৰ্কে কিছু কথা শিকিব পাৰে।

তেওঁৰ জীৱনত দেখা গৈছিল নিজে অভাৱ-অনাতনৰ মাজত পাৰ কৰিলেও মানুহক সহায় কৰিবলৈ নাপালে, তেওঁ যন্ত্ৰণাত ভূগিছিল, চটফটাইছিল। আনৰ দুখ-যন্ত্ৰণা দেখি চটফটোৱা বা হৃদয়ৰ পৰা কান্দি দিয়া মানুহনো আজিৰ সমাজত আছে কেইজন? ব্যক্তিগত জীৱনৰ দুখ-বেজাৰ, চকুলো মাত্ৰ সমাজৰ ভালৰ বাবেই সদায় তেওঁ আঁতৰাই ৰাখিছিল। বিশেষকৈ তেওঁৰ জীৱনৰ যি কৰ্ম, লক্ষ্য আৰু উদ্দেশ্য আছিল, সেই লক্ষ্যত তেওঁ সঠিকভাবে অনেক সংগ্ৰামৰ মূৰকত উপনীত হৈছিল। তেওঁৰ জীৱনৰ আদৰ্শ সকলোৰে বাবে গ্ৰহণীয় আৰু ঈৰ্যনীয় আছিল। কিন্তু তেওঁৰ সমস্ত জীৱনটো আছিল মানৱীয় প্ৰমূল্যৰে পৰিপূৰ্ণ তথা মানৱ সমাজৰ মঙ্গলৰ বাবে। ধন উপাৰ্জন কৰিছিল সেয়া মূলতঃ নিজৰ বাবে নহয়, সমাজৰ বাবে। কাম কৰিছিল সেয়াও নিজৰ বাবে নহয়, মানুহৰ বাবে। ব্যৱসায় কৰিছিল সেয়াও নিজৰ বাবে নহয়, দেশ আৰু জাতিৰ বাবে। এনে মানৱীয় প্ৰমূল্যৰ সহজ-সৰল ব্যক্তি দেশত দ্বিতীয়জন আছেনে নাই, সেয়াও এক প্ৰশ্নৰ বিষয়। দুখ-যন্ত্ৰণাৰে ভৰা জীৱন কালত চাৰিখনকৈ মহাবিদ্যালয়, এখন বিশ্ববিদ্যালয় আৰু অনেক সৰু-বৰ শিক্ষানুষ্ঠান, মন্দিৰ, বাগিচা স্থাপন কৰা ব্যক্তি হয়তো খুৱ কমেই ওলাব। দৰাচলতে ক'বলৈ গ'লে বিশেষভাবে ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ প্ৰাণ প্ৰতিষ্ঠাতা হনুমানবক্স কানৈক ভগৱানে যেন সেই উদ্দেশ্যেৰেই জন্ম দিছিল আৰু তেওঁৰ যোগেদিয়ে ভগৱানে তেনে ভাল কামবোৰ কৰাৰ মাধ্যম হিচাপে তেওঁক পৃথিৱীলৈ দেৱদূতৰূপে প্ৰেৰণ কৰিছিল। এতিয়াও যেন তেওঁৰ প্ৰাণ কানৈ গোষ্ঠীৰ দ্বাৰা প্ৰতিষ্ঠা কৰা মহাবিদ্যালয়, বিশ্ববিদ্যালয় চৌহদত ঘুৰি ফুৰে। তেনে অনুভৱ কেতিয়াবা হয়।

হনুমানবক্স কানৈৰ জীৱন বৃত্তান্ত আৰু হয়তো দীঘলীয়া হ'ব। অসমৰ বাহিৰত কিমান উচ্চ শিক্ষানুষ্ঠান গঢ়িবলৈ ধন বৰঙণী হিচাপে আগবঢ়াইছিল, সেয়া তথ্য আহৰণ কৰাত কিছু অসুবিধা হৈছে। হয়তো সেই তথ্যও সময়ত উন্মোচিত হ'ব। এই কথা পূৰ্বতে উল্লেখ কৰা হৈছে যে ৭৭ বৰ্যত ভৰি দিয়া হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ইতিহাসত তেওঁৰ জীৱন সম্পৰ্কে বিস্তৃতৰূপত লিপিৱদ্ধ কৰাৰ কোনেও চেষ্টা কৰা নাছিল। তেওঁৰ জীৱন সম্পৰ্কে যিখিনি উল্লেখ কৰা হৈছে বোধকৰো সেয়া এপাচি শাকত এটা জালুক সদৃশ। সময়ৰ সোঁতত তেওঁৰ জীৱনৰ ইতিহাস হেৰাই

যোৱাৰ সময়ত যিখিনি তথ্য আহৰণ কৰি লিপিৱদ্ধ কৰা হৈছে, সেয়া হয়তো তেওঁৰ জীৱনৰ ক্ষেত্ৰত অনেক বুলিব পাৰি। তেওঁ মানুহ, সমাজ, দেশ, জাতি ব্যৱসায়ৰ স'তে জড়িত থকাৰ উপৰিও দুখ-যন্ত্ৰণাৰ মাজেৰে আগুৱাই যাওঁতে তেওঁৰ নিজৰ জীৱন সম্পৰ্কে লিখি ৰাখিবলৈ সম্ভৱ আহৰি নাপালে। কাৰোবাৰ হতুৱাই লিখোৱাবলৈও হয়তো সময় নোলাল। তেওঁৰ মৃত্যুৰ পিছত কোনেও তেওঁৰ জীৱনৰ সকলো দিশ সামৰি এখন গ্ৰন্থ প্ৰকাশ কৰাৰ কথাও নাভাবিলে। কম আচৰিত কথানে? যিসময়ত অতি সাধাৰণ ব্যক্তিৰ মৃত্যুৰ পিছতো স্মৃতিৰ বাবে গ্ৰন্থ প্ৰকাশ কৰা হয়, সেই সময়ত হনুমানবক্স কানৈৰ দৰে ব্যক্তিৰ মৃত্যুৰ পিছতো কোনেও এখন গ্ৰন্থ প্ৰকাশ কৰাৰ কথা চিন্তা নকৰিলে। যদিওবা প্ৰকাশ কৰা হৈছিল, সেয়া হয়াতো সঠিক ৰূপত সংৰক্ষণ নহ'ল, যাৰ বাবে তেওঁৰ জীৱন সম্পৰ্কে সঠিক ৰূপত আজিও প্ৰচাৰ নহ'ল। সেয়া এটা মূল কাৰণ হ'ব পাৰে।

এই লেখকে এটা কথা উল্লেখ কৰি ন'থলে হয়তো ভুল কৰা হ'ব। সেয়া ২০১৫ চনৰ জুন মাহৰ কেইটামান দিনৰ আগৰ কথা। এদিন বগা ধুঁতি, পায়জামা পিন্ধা ওখ-পাখ এজন লোকে মোক সপোনত দেখা দিছিল। ব্যক্তিজনৰ স'তে বহু সময় সপোনতে কথা পাতিছিলো। ব্যক্তিজনে মোক লৈ যোৱাৰ কথা কৈছিল। কিন্তু ক'লৈ নিব কোৱা নাছিল। মই ভয় খাইছিলো আৰু ভয়ত উচপ খাই সেই দুপৰ নিশা টোপনি যাব পৰা নাছিলো। সেই সপোনটো আজিও মোৰ বাবে মানসপটৰ পৰা মচিব নোৱাৰা সপোন আছিল। সেই সময়ত মই অসমৰ ঐতিহ্যপূৰ্ণ 'মাজুলী মহাবিদ্যালয়'ৰ অধ্যক্ষ হিচাপে কাৰ্মৰত আছিলো। আঁচৰিত কথা, মই নিশা নিদ্ৰাত দেখা সেই সপোনৰ কিছু দিনৰ পিছতে মাজুলী মহাবিদ্যালয়ৰ পৰা ডি এইচ এচ কানৈ মহাবিদ্যালয়লৈ চৰকাৰৰ পৰা বদলিৰ নিৰ্দেশ ওলাইছিল। সপোনত দেখা কথাবোৰ বহুতে বিশ্বাস নকৰে। মই কিন্তু সেই সপোন বিশ্বাস কৰিবলৈ বাধ্য হৈছিলো। কানৈ মহাবিদ্যালয়ত যোগদান কৰাৰ প্ৰায় বিশ দিনৰ পিছত এজন লোক আহি পুৱাই মূল প্ৰাৱেশ দ্বাৰৰ কাষতে ঠিয় হৈ কিবা যেন মহাবিদ্যালয় চৌহদটো চাবলৈ উচ-পিচাই আছিল। সেয়া বোধকৰো পুৱা প্ৰায় ৫.১৫ বজাৰ কথা। ব্যক্তিজনে মোক মুখ্য দ্বাৰৰ মুখত কিবা চাবলৈ উচ-পিচাই থকাৰ সময়ত মই কাষ চাপি গৈ সুধিছিলো— কাক বিচাৰিছে? ব্যক্তিজনে কৈছিল— বহু হেঁপাহৰ আছিল মহাবিদ্যালয়খন। আজি কি যে

হৈ গ'ল। ইয়ালৈ নতুন অধ্যক্ষ এজন আহিছে বুলি শুনিছো, তেওঁকে চাবলৈ আহিছিলো। তেওঁক দেখা কৰি কৈ যাওঁ বুলি ভাবিছো, মহাবিদ্যালয়খন যেন ভালদৰে চোৱাচিতা কৰে। মহাবিদ্যালয়খন পুনৰ সজীৱ কৰিবলৈ তেওঁ যেন চেষ্টা কৰে। মই ব্যক্তিজনক চিনাকী দিয়া নাছিলো, মইয়ে যে নতুনকৈ অহা সেই অধ্যক্ষজন, যিজনক তেওঁ খুব হেঁপাহেৰে বিচাৰি চাবলৈ আহিছে। খুব হেঁপাহেৰে, মৰমেৰে গেটৰ বাহিৰৰ পৰাই জুপি জুপি মহাবিদ্যালয়খনৰ চৌহদ কিছু সময় চাই হঠাৎ সেই স্থানৰ পৰা ব্যক্তিজন নোহোৱা হৈ গৈছিল। মোৰ চকুৰ আগত এনেদৰে ঘটনাটো ঘটি গৈছিল যি মই তলকিবই নোৱাৰিলো। মই গেটখন খুলি পথলৈ ওলাই চাইছিলো, মানুহজন কোনফালেনো গ'ল? মই তৎ ধৰিব নোৱাৰিলো, হঠাৎ মানুহজন কেনেকৈ, ক'ত নোহোৱা হৈ গ'ল, কেনি গ'ল? সেই প্ৰশ্নটোৱে আজিও মোৰ মানসপটত আমনি কৰি থাকে। হয়তো সেই ছবি মানসপটৰ পৰা চিৰদিন আঁতৰি নাযাব। কেতিয়াবা মনৰ মাজত অনেক প্ৰশ্নৰ মাজত এই প্ৰশ্নইও দোলা দিয়ে, অনুভৱ হয় হঠাৎ হেৰাই যোৱা সেই লোকজন হনুমানবক্স কানৈয়ে নহয়তো ? যি মানৱীয় ৰূপ লৈ আমাক দেখা দিছিল। তেওঁৰ ভগৱানৰ ওপৰত যি অগাধ বিশ্বাস আছিল সেই বিশ্বাসে মোৰ মনলৈ তেনে ভাবৰ বুৰবুৰণি কঢ়িয়াই আনিছিল। হনুমানবক্স কানৈৰ ইচ্ছা মৃত্যু আছিলনে নাই নাজানো, কিন্তু শুনামতে তেওঁৰ মৃত্যু ঠিক যেন ইচ্ছা মৃত্যুৰ দৰেই আছিল। তেওঁৰ ভগৱানৰ প্ৰতি বিশ্বাস, মন্দিৰ স্থাপন ইত্যাদি ঘটনা প্ৰৱাহ পৰ্যবেক্ষণ কৰিলে অনুভৱ হয়, সেয়া নিশ্চয় হনুমানবক্স কানৈয়ে আছিল। সেয়া নহ'বও পাৰে, হ'বও পাৰে। সেয়া মোৰ মাত্ৰ অনুভৱহে। মোৰ অনুভৱক কোনেওটো বাধা দিব নোৱাৰে। তেনেকৈয়ে ভাব হৈছিল মোৰ। ঘটনাটোৱে আজিও মোক বৰ আমনি দি থাকে, সেয়া যেন হনুমানবক্স কানৈয়ে আছিল। তেওঁৰ আত্মা তেওঁ আগবঢ়াই যোৱা হেঁপাহৰ কানৈ মহাবিদ্যালয়ৰ চৌহদৰ চাৰিওকাষে যেন ঘুৰি ফুৰিছে। বিশ্বাস আৰু অবিশ্বাসৰ বহু যুক্তি-তৰ্ক হ'ব পাৰে, কিন্তু মোৰ মনত সেই বিশ্বাস দৃঢ় হিচাপে আজিও সাঁচ বহুৱাই গৈছে। যেতিয়াই ভাবো অনুভৱ কৰোঁ, সেইজন হনুমানবক্স কানৈয়ে আছিল। হনুমানবক্স কানৈয়ে বৃটিছৰ দিনতে স্বচ্ছতাৰ বাবে প্ৰশংসা লাভ কৰিছিল। কানৈ মহাবিদ্যালয়ত অধ্যক্ষ ৰূপে যোগদান কৰি ২২০০ দিনতকৈও অধিক দিন কোনো বন্ধ নমনাকৈ, জাৰ-জহ, দেওবাৰ, ৰ'দ-

বৰষুণক নেওঁচি স্বচ্ছতাৰ ক্ষেত্ৰত মই গ্ৰীণ ক্লাৱৰ সদস্যসকলৰ স'তে মিলি মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰা শক্তি হয়তো ক'ব নোৱাৰাকৈ হনুমানবক্স কানৈয়ে আমাক দিছে, সেই অনুভৱো কেতিয়াবা হয়। গ্ৰীণ ক্লাৱৰ সদস্যসকলক এই চেগতে কৃতজ্ঞতা জনাব বিচাৰিছো। সেইসকল হ'ল ক্ৰমে— ডিব্ৰুগড় ৰেল কাৰখানাৰ জ্যেষ্ঠ প্ৰয়োগশালা অধীক্ষক অনুপম মহন্ত, মৌচুমী ফাৰ্মাচীৰ স্বত্বাধিকাৰী ভৰত মহন্ত, ৰনজিৎ বৈৰাগী, অনুপম দত্ত, নিতুল দত্ত, বনজিৎ ডেকা, সঞ্জয় বৈশ্য, হেমন্ত দাস, কৃষ্ণ কান্ত পাৰ, চন্দ্ৰ সন্দিকৈ, অনিল সিংহ, দেৱাৰু ভূঞা, মনোজ শৰ্মা, চন্দ্ৰেশ্বৰ দত্ত, পূৰ্ণেশ্বৰ দাস, পুতলী বৰা, দীপজ্যোতি ফুকন, জ্যোতি চেতীয়া, মানৱজিত শইকীয়া, ৰবীন গগৈ, খগেন ফুকন। এইসকলক হয়তো পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত নেদেখাজনে শক্তি দিছে। মুঠতে হনুমানবক্স কানৈৰ সপোন বাস্তৱ ৰূপ দিবলৈ কানৈৰ চিন্তা আৰু দৰ্শনে মোক বাৰুকৈয়ে প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। তেওঁৰ সপোনক সাকাৰ ৰূপ দিবলৈ মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, উদ্যোগ আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰক্ষী ভাৰপ্ৰাপ্ত অধ্যাপিকা চুলতানা হাজৰিকা, শৈক্ষিক সমন্বয়ক ড° অনন্ত কুমাৰ দত্ত, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° মৃদুল শৰ্মা, শৈক্ষিক ভাৰপ্ৰাপ্ত ড° অলকানন্দা বৰুৱা, ড° মিতালী চলিহা, ড° মৰমী তালুকদাৰ, ড° ৰঞ্জন চাংমাই, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকনকে ধৰি প্ৰতিটো বিভাগৰ সন্মানীয় মুৰব্বী অধ্যাপক-অধ্যাপিকা, সমন্বয়ক অধ্যাপক-অধ্যাপিকাসকল, বিভাগৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীক একত্ৰিত কৰি আগুৱাই যোৱাৰ সংকল্প গ্ৰহণ কৰিছো। মহাবিদ্যালয়খনৰ পৰিয়ালৰ প্ৰতিজন সদস্যই একত্ৰিত হৈ মহাবিদ্যালয়খনক আগুৱাই নিয়াৰ যি প্ৰচেষ্টা চলাইছে সঁচাই প্ৰশংসনীয়। সকলোৱে অনুভৱ কৰে মহাবিদ্যালয়খন যেন বিশ্বদৰবাৰত জিলিকি উঠে এটি ভোটা তৰা হৈ। সেই উদ্দেশ্যে মহাবিদ্যালয় পৰিয়ালৰ সকলোৱে কাম কৰি আছে। মহাবিদ্যালয়খনৰ উত্তৰণত অন্যান্যসকলৰ লগতে দানবীৰ হনুমানবক্স কানৈৰ পৰিয়ালৰ জ্যোতি প্ৰসাদ কানৈৰ প্ৰচেষ্টাও আদৰণীয়। কানৈয়ে বিভিন্ন সময়ত সহযোগিতা আগবঢ়াই আহিছে। হনুমানবক্স কানৈৰ বৰ্ণিল জীৱন সামৰি এখন গৱেষণাধৰ্মী গ্ৰন্থ প্ৰকাশ কৰাৰ ইচ্ছা আছিল। যিগৰাকী ব্যক্তিয়ে সমাজলৈ ইমান বৰঙণী আগবঢ়োৱাৰ পিছতো কিয় বহু ক্ষেত্ৰত অৱহেলিত

হৈ ৰ'ল। সেয়ে মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাপে যোগদান কৰাৰ পিছতে তেওঁৰ বৰ্ণিল জীৱন সামৰি এখন গ্ৰন্থ প্ৰকাশ কৰাৰ ইচ্ছা মনত পুহি ৰাখিছিলো। সেই ইচ্ছা পূৰ কৰিবলৈ বিশিষ্ট লেখক, সাংবাদিক সুমন দত্তক (দহ হাজাৰ টকাৰ আৰ্থিক সাহায্য) দায়িত্ব অৰ্পণ কৰা হৈছে। হয়তো এই গ্ৰন্থ প্ৰকাশ পালে দানবীৰ হনুমানবক্স কানৈৰ বহু নজনা তথ্য পোহৰলৈ আহিব। এই ক্ষুদ্ৰ পুথিখনত এই লেখকৰ লগতে জ্যোতি প্ৰসাদ কানৈৰ এটি ইংৰাজী লেখা সন্নিৱিষ্ট কৰি পোন প্ৰথমবাৰৰ বাবে হনুমানবক্স কানৈৰ এখন ক্ষুদ্ৰ জীৱন-পঞ্জী সামৰি প্ৰকাশ কৰা হ'ল। এই ক্ষুদ্ৰ পুঁথিখনো হয়তো কানৈ মহাবিদ্যালয়ৰ ইতিহাসত খোদিত হৈ ৰ'ব। পুথিখনত লেখকসকলৰ অজ্ঞাতে যদি কোনো ভুল তথ্য লিপিবদ্ধ হৈছে তেন্তে পৰৱৰ্তী সময়ত শুধৰণিৰ ব্যৱস্থা কৰা হ'ব।●